*সংবাদ সেৱাৰে, দেশৰ সেৱাত ৩১ বছৰৰ এক অবিৰত যাত্ৰা...*

*গুৱাহাটীৰ পৰা প্ৰকাশিত নিৰ্ভীক সাপ্তাহিক*

# ৰঙিলী বাৰ্ত্তা

**Govt. of Assam Approved**

**Postal Redg. No. GH- 098/2012-17**

**৩১ বছৰ, ৪৭ সংখ্যা,৬ আঘোণ , ৰবিবাৰ,১৪৩২ ভাস্কৰাব্দ, পঞ্জীয়ন নং- ৫৩৮৮৩/ ১৯৯৪**

**RNI No.53883/94. GHY- 781025. Vol. 31: Issue No. 47 Date of Publication- 23 November 2025 Rs. 10.00/-**

## ১ জানুৱাৰীৰ পৰা ৰাজ্যজুৰি আৰম্ভ হ'ব 'বাবু আঁচনি'



ৰঙিলী বাৰ্ত্তাসেৱা- বঙাইগাঁও জিলাৰ অভয়াপুৰী বিধানসভা সমষ্টিত অনুষ্ঠিত অনুষ্ঠানত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই ২৩, ৯৪৯ গৰাকী হিতাধিকাৰীলৈ মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ অধীনত প্ৰাৰম্ভিক পুঁজিৰ চেক বিতৰণ কৰে। এই হিতাধিকাৰী সকলৰ ২২, ৬৪১ গৰাকী গ্ৰামাঞ্চলৰ আৰু ১,৩০৮ গৰাকী নগৰাঞ্চলৰ। এই উপলক্ষে অভয়াপুৰীস্থিত অভয়েশ্বৰী উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বিদ্যালয় খেলপথাৰত আয়োজিত অনুষ্ঠানত ভাষণ দি মুখ্যমন্ত্ৰী ডঃ শৰ্মাই কয় যে মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ জৰিয়তে ৰাজ্যৰ ১২৬টা বিধানসভা সমষ্টিৰ ভিতৰত আজিৰ সভাখনকে ধৰি ৪০টা সমষ্টিৰ মহিলাসকলে এইপৰ্যন্ত ১০ হাজাৰ টকাকৈ প্ৰথম কিস্তিৰ চেক লাভ কৰিলে আৰু বাকীসমূহ সমষ্টিসমূহতো শীঘ্ৰেই এই পুঁজি বিতৰণ কৰা হ'ব। হিতাধিকাৰী মহিলাসকলক উদ্যমিতা পুঁজিৰ ধনৰ উপযুক্ত ব্যৱহাৰৰ আহ্বান জনাই তেওঁ কয় যে ৰাজ্যৰ যিকেইটা সমষ্টিত যোৱা আগষ্ট-ছেপ্টেম্বৰ মাহত এই পুঁজি বিতৰণ কৰা হৈছিল, সেই সমষ্টিসমূহৰ কোনো এগৰাকী মহিলাই এই ধনৰ অপব্যৱহাৰ কৰা নাই আৰু সকলোৰে এই পুঁজিক গঠনমূলক কামত ব্যৱহাৰ কৰিছে। তেওঁ কয় যে বিৰোধীৰ হাজাৰ অপপ্ৰচাৰকো নেওচি ৰাজ্য চৰকাৰে অসমৰ ৰাইজক দিয়া প্ৰতিটো প্ৰতিশ্ৰুতি আখৰে আখৰে পালন কৰি আহিছে আৰু আজিৰ সভাই তাৰ জ্বলন্ত প্ৰমাণ। মহিলা উদ্যমিতা অভিযানৰ জৰিয়তে হিতাধিকাৰী সৃষ্টি চৰকাৰৰ উদ্দেশ্য নহয় বুলি মন্তব্য কৰি তেওঁ কয় যে এই আঁচনিৰ লক্ষ্য হৈছে প্ৰতিগৰাকী মহিলাকে একো একোগৰাকী লাখপতি বাইদেউ হিচাপে গঢ়ি তোলা। মুখ্যমন্ত্ৰীয়ে কয় যে বিগত লোকসভা নিৰ্বাচনৰ পূৰ্বে যোৰহাটত অনুষ্ঠিত এখন সভাত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেশৰ ৩ কোটি মহিলাক লাখপতি বাইদেউ গঢ়াৰ বাবে থকা তেওঁৰ সপোনৰ কথা মুখ্যমন্ত্ৰীক অৱগত কৰিছিল আৰু অসমৰ মহিলাসকলৰ উদ্যমী আৰু কষ্টসহিষ্ণু গুণৰ প্ৰশংসা কৰি তেওঁলোককো লাখপতি বাইদেউ হিচাপে গঢ়ি তোলাৰ বাবে চিন্তা-চৰ্চা কৰিবলৈ পৰামৰ্শ দিছিল। প্ৰধানমন্ত্ৰীৰ এই আহ্বান অনুসৰিয়ে ৰাজ্য চৰকাৰেও ৰাজ্যৰ আইমাতৃসকলক *(দহ পৃষ্ঠাত চাওক)*

## ৬ নং দফা ৰূপায়ণ সন্দৰ্ভত আছুৰ নেতৃত্বৰে মুখ্যমন্ত্ৰীৰ বৈঠক



ৰঙিলী বাৰ্ত্তাসেৱা- অসম চুক্তিৰ ৬ নং দফাৰ আধাৰত অসমৰ খিলঞ্জীয়া মানুহক সাংবিধানিক ৰক্ষাকবচ প্ৰদান কৰাৰ উদ্দেশ্যে কেন্দ্ৰীয় চৰকাৰে অৱসৰপ্ৰাপ্ত ন্যায়াধীশ বিপ্লৱ কুমাৰ শৰ্মাৰ অধ্যক্ষতাত গঠন কৰা উচ্চস্তৰীয় সমিতিৰ প্ৰতিবেদন কাৰ্যকৰীকৰণৰ সন্দৰ্ভত শনিবাৰে সন্ধিয়া দিছপুৰৰ লোকসেৱা ভৱনৰ সভাকক্ষত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত অসম চৰকাৰ আৰু সদৌ অসম ছাত্ৰ সন্থাৰ মাজত এক আলোচনা অনুষ্ঠিত হয়। উল্লেখ্য যে অসম চুক্তিৰ ৬নং দফা সন্দৰ্ভত ইতিপূৰ্বে অৱসৰপ্ৰাপ্ত ন্যায়াধীশ বিপ্লৱৰ কুমাৰ শৰ্মাই *(দুই পৃষ্ঠাত চাওক)*

## কংগ্ৰেছৰ অভিযোগ অবাস্তৱঃ মুখ্যমন্ত্ৰী



ৰঙিলী বাৰ্ত্তাসেৱা- ২০২৬ৰ বিধানসভা নিৰ্বাচনক লৈ যুদ্ধকালীন প্ৰস্তুতিৰে পথাৰত নামিছে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা। বিৰোধী দলসমূহৰ বিৰুদ্ধে সৰৱ হৈ পৰিছে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা । ভোটাৰ তালিকাৰ বিশেষ সংশোধনীৰ জৰিয়তে শাসকীয় বিজেপিয়ে বহিঃৰাজ্যৰ পৰা লাখ লাখ লোকক অসমলৈ আনি নিৰ্বাচন জিকাৰ পৰিকল্পনা কৰা বুলি বিৰোধীয়ে উত্থাপন কৰি অহা অভিযোগক উভতি ধৰিলে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই। *(নপৃষ্ঠাত চাওক)*

## সুধাকণ্ঠ ডঃ ভূপেন হাজৰিকাৰ ব্ৰঞ্জৰ মূৰ্তি উন্মোচন মুখ্যমন্ত্ৰীৰ

ৰঙিলী বাৰ্ত্তাসেৱা- বজালী জিলাৰ পাটাছাৰকুছিৰ কালদিয়া নৈৰ পাৰত অৱস্থিত সুধাতীৰ্থত ভাৰতৰত্ন ডঃ ভূপেন হাজৰিকাৰ এটা আটকধুনীয়া আৱক্ষ প্ৰতিমূৰ্তি উন্মোচন। পাটাছাৰকুছিৰ অন্যতম স্বেচ্ছাসেৱী সামাজিক অনুষ্ঠান প্ৰাগজ্যোতি ক্লাবৰ উদ্যোগত তথা ৰাইজৰ সহযোগত ক্লাবৰ বহুমুখী আঁচনি ৰূপায়ণৰ অধীনত সুধাকণ্ঠ ডঃ *(দহ পৃষ্ঠাত চাওক)*



## ছয় জনগোষ্ঠীৰ জনজাতিকৰণৰ বিৰুদ্ধে জোনাইত জোঁৰ সমদল



ৰঙিলী বাৰ্ত্তাসেৱা- ৰাজ্যৰ বিভিন্ন প্ৰান্তত ছয় জনগোষ্ঠীয়ে জনজাতিকৰণৰ দাবীত ধাৰা-বাহিকভাৱে তীব্ৰ আন্দোলন গঢ়ি তোলাৰ সময়তে জোনাইৰ বিভিন্ন প্ৰান্তত তিনি মিছিং জাতীয় সংগঠন ক্ৰমে টি এম পি কে (TMPK), এম এম কে (MMK) আৰু টি এম *(দুই পৃষ্ঠাত চাওক)*

# টেষ্ট ক্ৰিকেটৰ মানচিত্ৰত সন্নিবিষ্ট হ'ল গুৱাহাটী

ৰঙিলী বাৰ্ত্তাসেৱা- অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ বাবে এক ঐতিহাসিক দিন । ৭৭ বছৰীয়া প্ৰতীক্ষাৰ অন্ত। টেষ্ট ক্ৰিকেটত মানচিত্ৰত সন্নিৱিষ্ট হ'ল গুৱাহাটীৰ নাম। ঘৰুৱা দল টীম ইণ্ডিয়া আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ দুখনীয়া টেষ্ট মেচৰ শৃংখলাটোৰ দ্বিতীয় তথা অন্তিমখন টেষ্ট শনিবাৰৰ পৰা গুৱাহাটীৰ বৰ্ষাপাৰাস্থিত এচিএ ক্ৰিকেট ষ্টেডিয়ামত আৰম্ভ হৈছে। পুৱা ৮.৩০বজাত মেচখনৰ টছ হোৱাৰ লগে লগে টেষ্ট ক্ৰিকেটৰ মানচিত্ৰত স্থান লাভ কৰিলে গুৱাহাটীয়ে। ঐতিহাসিক টেষ্টমেচখন পৰম্পৰাগত ঘণ্টা বজাই শুভাৰম্ভণি কৰে ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ ব'ৰ্ডৰ সভাপতি মিথুন মানহাছ আৰু সম্পাদক দেৱজিৎ শইকীয়াই। টেষ্টখনত টছত জয়লাভ কৰি প্ৰথমে বেটিং কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে প্ৰটিয়াজ বাহিনীয়ে। প্ৰথম ইনিংছ মুকলি কৰিবলৈ আহি প্ৰথম দিনৰ খেলৰ অন্তলৈকে দক্ষিণ আফ্ৰিকাই ৬টা উইকেট হেৰুৱাই ২৪৭ ৰান সংগ্ৰহ কৰিছে। দিনান্তত ছেনুৰন মুথুস্বামীয়ে ২৫ আৰু কাঈল ভেৰেনীয়ে ৰ ৰান কৰি ক্ৰিজত আছে। ইনিংছ মুকলি কৰিবলৈ আহি অপেনাৰদ্বয় এইডেন মাৰ্কৰাম আৰু ৰিয়ান ৰিকেলটনে দক্ষিণ আফ্ৰিকাৰ সুন্দৰ আৰম্ভণি দিয়ে। দুয়োৰে মাজত প্ৰথম উইকেটত ৮২ ৰান সংগ্ৰহ হোৱাৰ সময়তে মাৰ্কৰামে পেভিলিয়ন-মুখী হয়। অপেনাৰগৰাকীয়ে ৩৮ ৰানৰ অবদান আগবঢ়ায়। মাৰ্কৰাম আউট হোৱাৰ খন্তেক পিছতে আনগৰাকী অপেনাৰ ৰিয়ান ৰিকেলটনেও বিদায় লোৱাত দলটো বিপদত পৰে। দলীয় স্ক'ৰ ৮২ ৰানতে ৰিকেলটনে ৩৫ ৰান কৰি আউট হয়। অৱশ্যে দুয়োগৰাকী অপেনাৰ আউট হোৱাৰ পিছত ত্ৰিষ্টান ষ্টাবছ আৰু অধিনায়ক টেম্বা বাভুমাই সতৰ্কতাৰে খেলি দলক বিপৰ্যয়ৰ পৰা উদ্ধাৰ কৰে। দুয়ো দলটোক সুস্থিৰ অৱস্থাৰ উপনীত কৰিবলৈ ধৰাৰ সময়তে বাভুমাই বিদায় লয়। আউট হোৱাৰ পূৰ্বে অধিনায়ক গৰাকীয়ে ষ্টাবছৰ সৈতে তৃতীয় উইকেটত ৮৪ ৰানৰ যুটী বান্ধে। বাভুমাই ৪১ ৰান কৰি বিদায় লয়। অধিনায়কগৰাকীৰ ৯২টা বলৰ ইনিংছত আছিল ৫টা বাউণ্ডেৰী। ইফালে ষ্টাবছে মাত্ৰ ৰ ৰানৰ বাবে অৰ্ধশতকৰ পৰা বঞ্চিত হয়। ব্যক্তিগত ৪৯ ৰানত বিদায় লয় ষ্টাবছে। ইপিনে ট'নী ডি জ'ৰ্জিয়ে ২৮ আৰু আৰু মুল্ডাৰে ১৩ ৰান কৰি বিদায় লয়। ভাৰতীয় দলটোৰ বলাৰসকলৰ ভিতৰত প্ৰথম দিনা উজলি উঠে কুলদীপ যাদৱ। স্পীনাৰগৰাকীয়ে সৰ্বাধিক তিনিটা উইকেট লাভ কৰাৰ লগতে যশপ্ৰীত বুমৰাহ, মহম্মদ চিৰাজ আৰু ৰবীন্দ্ৰ জাডেজাই এটাকৈ উইকেট লাভ কৰে।




# ৬ নং দফা ৰূপায়ণ সন্দৰ্ভত

দাখিল কৰা প্ৰতিবেদন সন্দৰ্ভত অনুষ্ঠিত হৈছিল দুখনকৈ বৈঠক। এই বৈঠকত ৰাজ্য চৰকাৰৰ অন্তৰ্গত ৪০টা বিষয় আৰু কেন্দ্ৰীয় চৰকাৰৰ অন্তৰ্গত ৰচটা বিষয়ক লৈ বিস্তৃত আলোচনা অনুষ্ঠিত হৈছিল। এই বৈঠকত মুখ্যতঃ কেন্দ্ৰীয় চৰকাৰৰ অধীনস্থ ১২টা বিষয় সন্দৰ্ভত বিস্তৃত আলোচনা হয়। বিপ্লৱ কুমাৰ শৰ্মা সমিতিয়ে দাখিল কৰা প্ৰতিবেদনত কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰে কাৰ্যকৰী কৰিব লগা মুঠ ৫২টা বিষয় সন্দৰ্ভতো এই বৈঠকত আলোচনা হয়। আছুৱে এই বৈঠকত কেন্দ্ৰীয় চৰকাৰৰ অধীনস্থ ১৫টা বিষয় কাৰ্যকৰী কৰাৰ বাবে ২০২৬ চনৰ ৩১ জানুৱাৰী সীমা নিৰ্ধাৰণ কৰাৰ বাবে প্ৰস্তাৱ দাঙি ধৰাৰ লগতে এই বিষয়সমূহ সন্দৰ্ভত কেন্দ্ৰ-ৰাজ্য চৰকাৰ আৰু আছুৰ মাজত ত্ৰিপাক্ষিক বৈঠক অনুষ্ঠিত কৰাৰ দাবী তোলে। আছুৰ এই দাবীৰ প্ৰতি ইতিবাচক সঁহাৰি জনায় মুখ্যমন্ত্ৰী ড° শৰ্মাই। সমান্তৰালভাৱে কেন্দ্ৰীয় চৰকাৰৰ অধীনস্থ ১৫টা বিষয়ৰ কাম-কাজসমূহ ৰূপায়ণৰ বাবে এক ৰূপৰেখা তৈয়াৰ কৰাৰো দাবী তোলে আছুৱে। বৈঠকত এই সন্দৰ্ভত অসম চুক্তি ৰূপায়ণ মন্ত্ৰী অতুল বৰাৰ অধ্যক্ষতাত এখন কেবিনেট উপ-সমিতি গঠনৰ সিদ্ধান্ত লোৱাৰ লগতে এই উপ-সমিতিখনে প্ৰতি দুমাহৰ মূৰে মূৰে মিলিত হৈ এই বিষয়ৰ কাম-কাজৰ অগ্ৰগতিৰ খতিয়ান দাঙি ধৰিব। আনহাতে বৈঠকত ৰাজ্য চৰকাৰে বিধানসভাত দাখিল কৰিবলগীয়া তিৱাৰী আয়োগৰ প্ৰতিবেদনৰ সমান্তৰালকৈ অসম আন্দোলনক লৈ মুক্তিযুঁজাৰু সন্মিলনীৰ উদ্যোগত মেহতা আয়োগে দাখিল কৰা প্ৰতিবেদনখনো বিধানসভাত দাখিলৰ বাবে আছুৱে দাবী তোলে। আছুৰ এই দাবী মুখ্যমন্ত্ৰীয়ে গ্ৰহণ কৰে। ইয়াৰ পূৰ্বে অসম চুক্তিৰ ৬নং দফা ৰূপায়ণ সন্দৰ্ভত গ্ৰহণ কৰা কেবিনেট উপ-সমিতিয়ে মুখ্যমন্ত্ৰীক দাখিল কৰে চূড়ান্ত প্ৰতিবেদন। মন্ত্ৰী অতুল বৰাৰ নেতৃত্বত গঠন হোৱা সমিতিখনে আছুৰ সৈতে মুখ্যমন্ত্ৰীৰ বৈঠকৰ পূৰ্বেই এই প্ৰতিবেদন দাখিল কৰে। ইফালে বৈঠকৰ অন্তত সংবাদ মাধ্যমক সম্বোধন কৰি মন্ত্ৰী অতুল বৰাই কয়- ৬নং দফা ৰূপায়ণৰ ক্ষেত্ৰত বিপ্লৱ কুমাৰ শৰ্মা সমিতিয়ে মুঠ ৬৭টা বিষয় দাঙি ধৰিছে। ইয়াৰে কেন্দ্ৰীয় চৰকাৰৰ অধীনস্থ ১৫টা বিষয় আছে। আনহাতে ৪০টা বিষয় ৰাজ্য চৰকাৰে কৰিব পৰা আৰু কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰ উভয়ে কৰিব পৰা ১২টা বিষয় সন্দৰ্ভত বিস্তৃত আলোচনা হয়। এই বৈঠকতে কেন্দ্ৰীয় চৰকাৰৰ অধীনস্থ বিষয়সমূহ কাৰ্যকৰী কৰাৰ ক্ষেত্ৰত আছুৱে অহা বৰ্ষৰ ৩১ জানুৱাৰীৰ ভিতৰত সম্পূৰ্ণ কৰাৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ সৈতে এখন ত্ৰিপাক্ষিক বৈঠক অনুষ্ঠিত কৰাৰ দাবী তুলিছে। মুখ্যমন্ত্ৰী ড° শৰ্মাই আছুৰ এই দাবীৰ প্ৰতি সঁহাৰি জনাইছে। তদুপৰি আছুৱে বিচৰা ধৰণে এই বিষয়সমূহৰ বৰুপৰেখা তৈয়াৰ কৰাৰ লক্ষ্যৰে এখন কেবিনেট উপ-সমিতি গঠনৰ দাবীতো ৰাজ্য চৰকাৰে ইতিবাচক সঁহাৰি দিছে। মন্ত্ৰী অতুল বৰাই ইয়াকো প্ৰকাশ কৰে যে ৬নং দফা কাৰ্যকৰীকৰণৰ ক্ষেত্ৰত কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰৰ অধীনস্থ বিষয়সমূহ দৰাচলতে কেন্দ্ৰৰ অনুমোদন অনুসৰি ৰাজ্য চৰকাৰে কৰিব পাৰে। গতিকে এই বিষয়সমূহ কাৰ্যকৰী কৰাত সমস্যাৰ সৃষ্টি নহ'ব। ইফালে বৈঠকৰ পিছত আছুৰ সভাপতি উৎপল শৰ্মাই সংবাদ মাধ্যমৰ আগত কয় যে ৬নং দফা ৰূপায়ণৰ ক্ষেত্ৰত বিষয়সমূহ কাৰ্যকৰী কৰাৰ বাবে এখন কেবিনেট উপ-সমিতি গঠনৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। আনহাতে কেন্দ্ৰীয় চৰকাৰৰ অধীনস্থ বিষয়সমূহৰ ভিতৰত যিবোৰ বিষয়ৰ বাবে সংবিধান সংশোধনৰ প্ৰয়োজন বিশেষকৈ বিধানসভা-লোকসভাত আসন সংৰক্ষণ, নিগম-নিকায়ত আসন সংৰক্ষণ, কেন্দ্ৰ-ৰাজ্য চৰকাৰৰ চাকৰিসমূহত সংৰক্ষণৰ ব্যৱস্থা কৰা, অসমৰ বাবে উচ্চ সদন গঠন, ইনাৰলাইন পাৰ্মিট আদিকে কৰি গোটেই বিষয়সমূহক লৈ কেন্দ্ৰীয় চৰকাৰৰ সৈতে আলোচনাৰ প্ৰয়োজন আছে। এই বৈঠকত অসম চৰকাৰৰ অধীনস্থ বিষয়সমূহ কাৰ্যকৰীকৰণৰ ক্ষেত্ৰত আলোচনা সম্পূৰ্ণ হৈছে। মুখ্যমন্ত্ৰী ড° শৰ্মাক আছুৱে আহ্বান জনাইছে যে কেন্দ্ৰীয় চৰকাৰৰ অধীনস্থ বিষয়সমূহ ৰূপায়ণৰ বাবে এখন ত্ৰিপাক্ষিক বৈঠক অনুষ্ঠিত কৰিব লাগে। ইফালে অসম আন্দোলনকলৈ গঠন হোৱা তিৱাৰী আয়োগৰ প্ৰতিবেদন ৰাজ্য চৰকাৰে বিধানসভাত দাখিল কৰাৰ বাবে যি সিদ্ধান্ত লৈছে সেই সিদ্ধান্তৰ সমান্তৰালকৈ '৮৩ চনৰ নিৰ্বাচনৰ প্ৰসংগত সেই সময়ত মুক্তিযুঁজাৰু সস্থাই গঠন কৰি দিয়া মেহতা আয়োগৰ প্ৰতিবেদনো বিধানসভাত দাখিলৰ বাবে চৰকাৰক আহ্বান জনোৱা হয়। আছুৰ সৈতে হোৱা মুখ্যমন্ত্ৰীৰ বৈঠকত মন্ত্ৰী অজন্তা নেওগ, মন্ত্ৰী অতুল বৰা, আছুৰ মুখ্য উপদেষ্টা ড° সমুজ্জ্বল ভট্টাচাৰ্য, সভাপতি উৎপল শৰ্মা, সাধাৰণ সম্পাদক সমীৰণ ফুকনৰ উপৰি মুখ্য সচিব ৰবি কোটা, অতিৰিক্ত মুখ্য সচিব অজয় তিৱাৰী, অসম চুক্তি ৰূপায়ণ বিভাগৰ আয়ুক্ত সচিব জি বি ত্ৰিপাঠীৰ লগতে কেইবাজনো শীৰ্ষ বিষয়া উপস্থিত থাকে।

# জনজাতিকৰণৰ দাবীত লখিমপুৰত আহোমৰ বিশাল জোঁৰ সমদল



ৰঙিলী বাৰ্ত্তাসেৱা- লখিমপুৰ নগৰৰ পৰা কেইবা হেজাৰ আহোমে জোঁৰ সমদল কৰি টাই আহোমৰ জনজাতিকৰণ আৰু স্বায়ত্ত শাসনৰ দাবীত লখিমপুৰ কঁপাই তোলে। সদৌ অসম টাই আহোম ছাত্ৰ সন্থা (আটাছু)ৰ উদ্যোগত আৰু একাধিক সংগঠনৰ সহযোগত লখিমপুৰ নগৰৰ ত্যাগক্ষেত্ৰত সমবেত হৈ পাঁচ সহস্ৰাধিক আহোমে নগৰৰ মাজেৰে টাই আহোমক জনজাতিকৰণ আৰু স্বায়ত্ত শাসনৰ দাবীৰে জোঁৰ সমদল কৰি উত্তাল পৰিৱেশৰ সৃষ্টি কৰে। 'টাই আহোমসহ ছয় জনগোষ্ঠীক জনজাতিকৰণ কৰক, স্বায়ত্ত শাসন প্ৰদান কৰক, ন' এছ টি-ন' ৰেষ্ট, আহোমক প্ৰতাৰণা কৰা সহ্য কৰা নহ'ব' আদি শ্লোগান দি লখিমপুৰ কঁপাই তোলে। জোঁৰ সমদলৰ প্ৰাক্ মুহূৰ্তত আটাছুৰ উপ-সভাপতি মনোজ গগৈয়ে সংবাদ মাধ্যমৰ আগত কয়, টাই আহোমসকল জন্মগতভাৱেই জনজাতি। ভাৰতবৰ্ষৰ ( নপৃষ্ঠাত চাওক)

# ছয় জনগোষ্ঠীৰ

এম কে (TMMK)ৰ উদ্যোগত ছয় জনগোষ্ঠীৰ জনজাতিকৰণৰ দাবীৰ বিৰুদ্ধে শুকুৰবাৰে সন্ধিয়া জোঁৰ সমদল ৰূপায়ণ কৰে। সন্ধিয়া ৫ বজাৰ পৰা জোনাইৰ তৰাজান, কেমি, মহমৰা, ডেকাপাম, ৰামধন, গালী, চিগা, ৰাজাখানাকে আদিকে ধৰি জোনাইৰ বিভিন্ন গাঁৱত উলিওৱা হয় জোঁৰ সমদল। জোঁৰ সমদলত অংশগ্ৰহণ কৰা প্ৰতিবাদীসকলে 'টিএমপিকে জিন্দাবাদ, এমএমকে জিন্দাবাদ, টিএমএমকে জিন্দাবাদ, জনজাতি ঐক্য জিন্দাবাদ, ছয় জনগোষ্ঠীৰ জনজাতিকৰণ বন্ধ কৰক, আমাৰ অস্তিত্ব ৰক্ষা কৰক, জনজাতিবিৰোধী চৰকাৰ নচলিব' আদি শ্লোগান দি জোনাইৰ জনজাতি অধ্যুষিত অঞ্চলৰ আকাশ-বতাহ কঁপাই তোলে। এই সংগ্ৰাম অন্য জাতিৰ বিৰুদ্ধে সংগ্ৰাম নহয়, এই সংগ্ৰাম জাতিৰ অস্তিত্ব ৰক্ষাৰ স্বাৰ্থত সংগ্ৰাম। উল্লেখ্য যে জোঁৰ সমদলত জাতীয় সংগঠনৰ নেতাসকলে আজি এই প্ৰতিবাদস্থলীৰ পৰাই চৰকাৰক আহ্বান জনাই কয়, কোনো পৰিস্থিতিত জনজাতি সমাজৰ স্বাধিকাৰ, সাংবিধানিক অধিকাৰ আৰু অস্তিত্ব ধ্বংস হ'ব পৰা সিদ্ধান্ত গ্ৰহণ কৰিব নোৱাৰিব আৰু অহা ২৫ নৱেম্বৰত অসম বিধানসভাৰ শীতকালীন অধিৱেশনত ছয় জনগোষ্ঠীৰ জনজাতিকৰণ সম্পৰ্কে মন্ত্ৰীগোটে দাখিল কৰিবলগীয়া প্ৰতিবেদনখন জনজাতি সমাজৰ স্বাৰ্থবিৰোধী, অধিকাৰবিৰোধী বা ভৱিষ্যৎ সংকট সৃষ্টিকাৰী প্ৰতিবেদন হ'ব নালাগে। অসমৰ মুখ্যমন্ত্ৰীগৰাকীয়ে ছয় জনগোষ্ঠীৰ জনজাতিকৰণক মুকলিকৈ সমৰ্থন নকৰিবলৈ জনজাতি ৰাইজৰ পক্ষৰ পৰা স্পষ্ট আৰু দৃঢ় আহ্বান জনাই কয়, আমি ছয় জনগোষ্ঠীক জনজাতি প্ৰদান কৰাটোত বিৰোধ কৰোঁ আৰু কৰিম। জনজাতিৰ অধিকাৰ, পৰিচয় আৰু ভৱিষ্যৎ সুৰক্ষাৰ স্বাৰ্থত এই পদক্ষেপ আমি অব্যাহত ৰাখিম বুলি হুংকাৰ দিয়ে সংগঠনৰ কৰ্মীসকলে, অন্যথা ইয়াতকৈও জংগী আন্দোলন কৰিবলৈ বাধ্য হ'ম বুলি কয়।

# এজনীয়া তদন্ত আয়োগৰ শপতনামা গ্ৰহণৰ প্ৰক্ৰিয়া সম্পন্ন




ৰঙিলী বাৰ্ত্তাসেৱা-ছিংগাপুৰত প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ তদন্তৰ বাবে ৰাজ্য চৰকাৰে গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ সৌমিত্ৰ শইকীয়াৰ নেতৃত্বত গঠন কৰি দিয়া এজনীয়া তদন্ত আয়োগত সাক্ষ্য প্ৰমাণসহ শপতনামা দাখিলৰ সময়সীমা শুকুৰবাৰে সম্পন্ন হয়।৩ নৱেম্বৰৰ পৰা আৰম্ভ হোৱা এই শপতনামা গ্ৰহণৰ প্ৰক্ৰিয়া শুকুৰবাৰে সম্পন্ন হয়। শুকুৰবাৰে বিয়লি চাৰি বজাৰ লগে লগে জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ শপতনামা তথা সাক্ষ্য দিয়াৰ সময়সীমাৰ অন্ত পৰে। যোৱা ৩ নৱেম্বৰৰ পৰা আজি দিনটোলৈ জুবিন গাৰ্গৰ মৃত্যু ৰহস্যৰ সন্দৰ্ভত সাক্ষ্য দিবলৈ আহে ৩৯খন বিভিন্ন দল-সংগঠন-ব্যক্তিবিশেষৰ শপতনামা। আয়োগৰ ওচৰত জুবিন গাৰ্গৰ মৃত্যু সন্দৰ্ভত সাক্ষ্য নথি-পত্ৰ তথা শপতনামা দিয়াৰ অন্তিম দিনা বিৰোধী দলপতি দেৱব্ৰত শইকীয়াৰ পৰা আৰম্ভ কৰি বিশ্ববিদ্যালয়ৰ গৱেষক ছাত্ৰ তথা এগৰাকী প্ৰাক্তন সৈনিকেও সাক্ষ্য-শপতনামা দাখিল কৰে। যোৱা ৩ নৱেম্বৰৰ প্ৰথম দিনটোত অৱশ্যে আয়োগৰ চানমাৰিস্থিত কাৰ্যালয়ত কোনো এখন শপতনামা দাখিল হোৱা নাছিল। অন্তিম দিনটোত আয়োগৰ ওচৰত শপতনামা দাখিল কৰাসকলৰ ভিতৰত আছে বিৰোধী দলপতি দেৱব্ৰত শইকীয়া, কৃষক মুক্তি সংগ্ৰাম সমিতিৰ সাধাৰণ সম্পাদক বিদ্যুৎ শইকীয়া, শিলচৰৰ পিএইচডি গৱেষক ছাত্ৰ অসীম কুমাৰ হাজৰিকাকে ধৰি কেইবাজনও (দহ পৃষ্ঠাত চাওক)

# বাজপেয়ী ভৱনত বিজেপিৰ মাৰাথন বৈঠক




ৰঙিলী বাৰ্ত্তাসেৱা- সমাগত বিধানসভা নিৰ্বাচন। বিধানসভা নিৰ্বাচনৰ বাবে ইতিমধ্যে শাসক-বিৰোধী প্ৰতিটো দলে আৰম্ভ কৰিছে নিৰ্বাচনী কুচকাৱাজ। নিৰ্বাচনক লৈ ৰাষ্ট্ৰীয় নেতৃত্বৰ উপস্থিতিত বাজপেয়ী ভৱনত অনুষ্ঠিত বিজেপিৰ মাৰাথন বৈঠকৰ অন্তত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ ঘোষণা- বিজেপিয়ে জনগাঁথনি অনুসৰি ১০৩টা সমষ্টিত প্ৰতিদ্বন্দ্বিতা কৰিব পাৰিব। ইয়াৰ অৰ্থ এয়া নহয় যে বাকী সমষ্টিত বিজেপিয়ে প্ৰতিদ্বন্দ্বিতা নকৰে। বিজেপি বা আমাৰ যি মিত্ৰদল আছে, জনগাঁথনিৰ ভিত্তিত আমি ১০৩টা সমষ্টিতহে প্ৰতিদ্বন্দ্বিতা কৰিব পাৰোঁ। ১০৩টা সমষ্টিতেই আমি জিকিম বুলি নিশ্চিত নহয়, কিন্তু দলৰ শক্তিশালী স্থিতি এই ১০৩টা সমষ্টিতেই থাকিব। ১০৩টা সমষ্টিত প্ৰতিদ্বন্দ্বিতা কৰিলেও নিশ্চিতভাৱে আমি সকলো সমষ্টিত জয়ী হ'ব নোৱাৰোঁ। বিজেপিয়ে কিমান দূৰলৈ যাব পাৰে, শক্তি কিমান তাৰ এক সম্যক ধাৰণা আছে। গতিকে আমি বেছি দাবীও নকৰোঁ, যিমান দূৰলৈ যাব পাৰোঁ, সিমান দূৰলৈহে যাম। উল্লেখ্য যে বিধানসভা নিৰ্বাচনক লক্ষ্য কৰি ৰাষ্ট্ৰীয় সাংগঠনিক সাধাৰণ সম্পাদক বিএল সন্তোষৰ উপস্থিতিত ৰাজ্যিক বিজেপিৰ মুখ্য কাৰ্যালয়ত অনুষ্ঠিত হ'ল কেইবাখনো বৈঠক। এই বৈঠকৰ অন্তত মুখ্যমন্ত্ৰী ড° শৰ্মাই সংবাদ মাধ্যমৰ আগত বৈঠক সম্পৰ্কত বিস্তৃত সদৰী কৰি কয়- আজিৰ বৈঠকত নিৰ্বাচনী ব্যৱস্থাপনা, ইস্তাহাৰ কমিটী এই বিষয়সমূহ সম্পূৰ্ণ কৰা হৈছে। প্ৰায় ৩৬টা (দহ পৃষ্ঠাত চাওক)

# মিছ ইউনিভাৰ্ছৰ খিতাপ দখল মেক্সিকোৰ ফাতিমা বছৰ



ৰঙিলী বাৰ্ত্তাসেৱা- বিশ্বৰ বিভিন্ন দেশৰ সুন্দৰীয়ে ভাগ লোৱা মিছ ইউনিভাৰ্ছ-২০২৫ৰ খিতাপ দখল কৰে মেক্সিকোৰ সুন্দৰী ফাতিমা বছে। থাইলেণ্ডত আয়োজিত ৭৪ সংখ্যক মিছ ইউনিভাৰ্ছ প্ৰতিযোগিতাৰ চূড়ান্ত পৰ্যায়ত মেক্সিকোৰ সুন্দৰীগৰাকীক বিজয়ীৰ মুকুট পিন্ধাই ৭৩সংখ্যক মিছ ইউনিভাৰ্ছ ডেনমাৰ্কৰ ভিক্টোৰিয়া কজৰ ছিলৰিগে। ৭৪ সংখ্যক মিছ ইউনিভাৰ্ছৰ প্ৰথম ৰানাৰ্ছ আপৰ গৌৰৱ অৰ্জন কৰে থাইলেণ্ডৰ প্ৰবীণৰ সিঙে। আনহাতে দ্বিতীয় আৰু তৃতীয় ৰানাৰ্ছ আপৰ সন্মান লাভ কৰে ক্ৰমে ভেনিজুৱেলাৰ ষ্টেফনি অ'বাছেলি আৰু ফিলিপাইনছৰ আহৰিছা মনালোৱে।

# সংগীতৰ ৰাজপুত্ৰ জুবিন গাৰ্গৰ ৫৩ সংখ্যক জন্মদিন উপলক্ষে উন্নাভৰ তিনিখনকৈ গ্ৰন্থ উন্মোচন

ৰঙিলী বাৰ্ত্তাসেৱা- ১৮/১১/২০২৫ তাৰিখে ঈশ্বৰপুত্ৰ জুবিন গাৰ্গৰ ৫৩ সংখ্যক জন্মদিৱসৰ লগত সংগতি ৰাখি উন্নাভ গ্ৰুপৰ তিনিখনকৈ গ্ৰন্থ গুগল মিটযোগে উন্মোচন কৰা হয়। অনুষ্ঠানৰ আৰম্ভণিতে সদ্যপ্ৰয়াত গীতিকাৰ চৈয়দ ছাদ্‌দুল্লা আৰু বাঁহীবাদক দীপক শৰ্মালৈ শ্ৰদ্ধাঞ্জলি জনাই এক মিনিট সময় মৌন প্ৰাৰ্থনা কৰা হয়। শাৰদীয় বিশেষ সংখ্যা উন্নাভৰ লগতে দেৰগাঁৱৰ পৰা প্ৰকাশিত জুবিন গাৰ্গ বিশেষ দুখনকৈ কাব্য সংকলন "ধুমুহাৰ সতে মই", "উৰতি চোৰা" উন্মোচন কৰা হয়। ড° নন্দসিং বৰকলা মহাশয়ে উন্নাভ শাৰদীয় বিশেষ সংখ্যা, ছৈয়দ পাৰভিছ হুছেইন আৰু ত্ৰিনয়ন সন্দিকৈ ডাঙৰীয়াই কাব্য সংকলন দুখন উন্মোচন কৰে। ত্ৰাতৃ এপত প্ৰকাশিত ই-আলোচনী কেইখন ত্ৰাতৃ এপত উপলব্ধ হ'ব। অনুষ্ঠানত উন্নাভৰ (দহ পৃষ্ঠাত চাওক)




# 'বিহগী' সামাজিক মাধ্যম গোটৰ উদ্যোগত ৰঘুনাথ চৌধাৰীৰ পুণ্য তিথি, জুবিন গাৰ্গৰ জন্ম জয়ন্তী পালন



ৰঙিলী বাৰ্ত্তাসেৱা- বিহগী কবি ৰঘুনাথ চৌধাৰীৰ পুণ্য তিথি আৰু সূৰ্যকণ্ঠ জুবিন গাৰ্গৰ জন্ম দিৱস উপলক্ষে সামাজিক মাধ্যমৰ বিশেষ জনপ্ৰিয় গোট 'বিহগী' পৰিয়ালৰ দ্বাৰা ১৮নৱেম্বৰত গুৱাহাটীৰ নাৰেংগী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰেক্ষাগৃহত এখনি সভা অনুষ্ঠিত কৰা হয়। সভাৰ আগমুহূৰ্তত গোটৰ পতাকা উত্তোলন কৰে উদ্‌যাপন সমিতিৰ সভানেত্ৰী সুচিত্ৰা ব্ৰহ্মাই।শ্বহীদ তৰ্পণ কৰে সাধাৰণ সম্পাদিকা গুণৱতী দাসে। জুবিন গাৰ্গৰ স্মৃতিত নাহৰৰ পুলি ৰোপণ কৰে স্মৃতিগ্ৰন্থ সম্পাদিকা মঞ্জু কাকতিয়ে। সভাৰ প্ৰেক্ষাগৃহ মুকলি কৰে উপদেষ্টা দীনবন্ধু কলিতাই। বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি ঔপন্যাসিক তথা প্ৰবন্ধকাৰ প্ৰবোধ চন্দ্ৰ মিশ্ৰই কবি ৰঘুনাথ চৌধাৰীৰ প্ৰতিকৃতিত বন্তি প্ৰজ্বলন কৰাৰ লগতে মাল্যাৰ্পণ কৰে। কবিগৰাকীৰ জনপ্ৰিয় কবিতা 'গোলাপ' পাঠ কৰে স্মৃতিগ্ৰন্থ সম্পাদিকা মঞ্জু কাকতিয়ে। সভাত বিশিষ্ট অতিথি হিচাপে উপস্থিত থকা চিকিৎসক তথা কণ্ঠ শিল্পী ডাঃ অঞ্জনজ্যোতি চৌধুৰীয়ে সকলোৰে প্ৰাণৰ স্পন্দন জুবিন গাৰ্গৰ প্ৰতিকৃতিত বন্তি প্ৰজ্বলন তথা মাল্যাৰ্পণ কৰে। ইয়াৰ পিছতে মায়াবিনী গীতৰে সকলোৱে অশ্ৰুসিক্ত নয়নেৰে হিয়াৰ আমঠু জুবিনলৈ শ্ৰদ্ধা নিবেদন কৰে।

গোটৰ সদস্য সকলৰ দ্বাৰা সুধাকণ্ঠৰ কালজয়ী গীত 'পুজো আহা আই মাতৃ' পৰিৱেশনেৰে মঞ্চ মুকলি কৰা হয়। সভাত উপস্থিত থকা বিশিষ্ট অতিথি সকলক অসমীয়াৰ চিহ্নযুক্ত সামগ্ৰীৰে সম্বৰ্ধনা জনোৱা হয়। সভাত মঞ্জু কাকতিৰ সম্পাদনাত স্মৃতিগ্ৰন্থ 'বিহগী' উন্মোচন কৰে ডাঃ অঞ্জনজ্যোতি চৌধুৰীয়ে প্ৰবোধ চন্দ্ৰ মিশ্ৰৰ সহযোগত। ৰঘুনাথ চৌধাৰী আৰু জুবিন গাৰ্গ সম্পৰ্কে বক্তব্য প্ৰদান কৰে দুয়োগৰাকী বিশিষ্ট অতিথিয়ে। বিহগী কবি গৰাকীৰ স্মৃতি সজীৱ কৰি ৰখাৰ বাবে 'বিহগী' নামেৰে স্মৃতিগ্ৰন্থ প্ৰকাশ কৰি উলিওৱা বাবে গোটৰ সদস্য সকলক প্ৰশংসা কৰি স্মৃতিগ্ৰন্থ সম্পৰ্কত বক্তব্য ৰাখে ডাঃ চৌধুৰীয়ে। গোটৰ প্ৰতিষ্ঠাপক প্ৰশান্ত শৰ্মাৰ লগতে প্ৰশাসক/প্ৰশাসিকা সকলৰ পৰিচালনাত চিনাকি পৰ্ব, সম্বৰ্ধনাৰ লগতে গীত মাত, কবিতা পাঠেৰে জীপাল হোৱা সভাখনত শলাগৰ শৰাই আগবঢ়াই প্ৰতিষ্ঠাপক প্ৰশান্ত শৰ্মাই।

# অভিলেখ গঢ়ি দশমবাৰলৈ বিহাৰৰ মুখ্যমন্ত্ৰী হিচাপে শপত গ্ৰহণ নীতিশ কুমাৰৰ




ৰঙিলী বাৰ্ত্তাসেৱা- সদ্যসমাপ্ত বিহাৰ বিধানসভা নিৰ্বাচনত এনডিএৰ বিপুল বিজয়ৰ পিছত পাটনাৰ গান্ধী ময়দানত দশমবাৰৰ বাবে বিহাৰৰ মুখ্যমন্ত্ৰী হিচাপে শপতগ্ৰহণ কৰে নীতিশ কুমাৰে। ২৫ বছৰ ধৰি বিহাৰৰ মুখ্যমন্ত্ৰী হিচাপে দায়িত্ব পালন কৰাৰ পিছত পুনৰ দশমবাৰৰ বাবে বিহাৰৰ মুখ্যমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰে নীতিশ কুমাৰে। বৃহস্পতিবাৰে পাটনাৰ গান্ধী ময়দানত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ উপস্থিতিত শপত গ্ৰহণ কৰে নীতিশে। ৰাজ্যপাল আৰিফ মহম্মদ খানে শপত বাক্য পাঠ কৰাই নীতিশ কুমাৰক। শপত গ্ৰহণ অনুষ্ঠানত গৃহমন্ত্ৰী অমিত শ্বাহ, বিজেপিৰ সভাপতি জে পি নাড্ডাকে ধৰি এন ডি এ শাসিত সকলো ৰাজ্যৰ সকলো মুখ্যমন্ত্ৰী আৰু উপ-মুখ্যমন্ত্ৰী উপস্থিত থাকে। এই শপতগ্ৰহণ অনুষ্ঠানতে মুঠ ২৬গৰাকী নেতাই মন্ত্ৰিত্বৰ শপত লয়। নীতিশ কুমাৰ নেতৃত্বাধীন বিদায়ী চৰকাৰখনৰ উপ-মুখ্যমন্ত্ৰীদ্বয় সম্ৰাট চৌধুৰী আৰু বিজয় সিন্হাই এইবাৰো একেটা পদতে ( নপৃষ্ঠাত চাওক)

# জুবিনৰ মৃত্যুৰ সৈতে জড়িত ৭ অভিযুক্তক পুনৰ ১৪ দিনৰ ন্যায়িক জিম্মালৈ প্ৰেৰণ



ৰঙিলী বাৰ্ত্তাসেৱা- অসমীয়াৰ প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ সৈতে জড়িত ৭ অভিযুক্তক আদালতে পুনৰ ১৪ দিনৰ ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰিছে। উল্লেখ্য যে বৃহস্পতিবাৰে তৃতীয়বাৰলৈ ৭জন অভিযুক্ত ক্ৰমে শ্যামকানু মহন্ত, সিদ্ধাৰ্থ শৰ্মা, শেখৰজ্যোতি গোস্বামী, সন্দীপন গাৰ্গ, পৰেশ বৈশ্য, নন্দেশ্বৰ বৰা আৰু অমৃতপ্ৰভা মহন্তক আৰক্ষীয়ে আদালতত হাজিৰ কৰে। বৃহস্পতিবাৰে ৭ অভিযুক্তৰ জিম্মাৰ ম্যাদ উকলাৰ পাছত আৰক্ষীয়ে ভাৰ্চুৱেলী ( নপৃষ্ঠাত চাওক)

# ৩৭৭ শিক্ষকক নিযুক্তি-পত্ৰ প্ৰদান কৰে মুখ্যমন্ত্ৰী ড° শৰ্মাই



ৰঙিলী বাৰ্ত্তাসেৱা- শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত আয়োজিত এক অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই চাহ জনজাতি আৰু আদিবাসী সম্প্ৰদায়ৰ ৩৭৭ গৰাকী টেট আৰু টেট তথা নিযুক্তি পৰীক্ষা উত্তীৰ্ণ প্ৰাৰ্থীক নিযুক্তি-পত্ৰ প্ৰদান কৰে। নিযুক্তি-পত্ৰ প্ৰদানৰ লগতে উচ্চতৰ মাধ্যমিক প্ৰথম আৰু দ্বিতীয় বৰ্ষ বা চাৰি বছৰীয়া স্নাতক পাঠ্যক্ৰমত নামভৰ্তি কৰা দাৰিদ্ৰ্য সীমাৰেখাৰ তলৰ পৰিয়ালৰ ছাত্ৰ-ছাত্ৰীক মাচুল ৰেহাই দিয়া শিক্ষানুষ্ঠানলৈ ধনৰাশিও প্ৰদান কৰে মুখ্যমন্ত্ৰী ড° শৰ্মাই। নিযুক্তি-পত্ৰ লাভকৰাসকলৰ ভিতৰত মাধ্যমিক শিক্ষা সঞ্চালকালয়ৰ অধীনত ৪ গৰাকী স্নাতকোত্তৰ শিক্ষক আৰু ১৭৭ গৰাকী স্নাতক শিক্ষক, প্ৰাথমিক শিক্ষা সঞ্চালকালয়ৰ অধীনত ৯৮গৰাকী নিম্ন প্ৰাথমিক বিদ্যালয়ৰ শিক্ষক আৰু ৯৮গৰাকী উচ্চ প্ৰাথমিক বিদ্যালয়ৰ শিক্ষক। আনহাতে ২০২৫-২৬ বৰ্ষত উচ্চতৰ মাধ্যমিক প্ৰথম আৰু দ্বিতীয় বৰ্ষৰ দাৰিদ্ৰ্য সীমাৰেখাৰ তলৰ পৰিয়ালৰ ছাত্ৰ-ছাত্ৰীক মাচুল ৰেহাই দিয়া ১, ২১৫খন বিদ্যালয়ক ২১.৮৫ কোটি টকা প্ৰদান কৰা হয়। ইয়াৰ ফলত ২, ৪৭, ৫৬৮ গৰাকী শিক্ষাৰ্থী উপকৃত হৈছে। ২০২৫-২৬ বৰ্ষত চাৰি বছৰীয়া স্নাতক পাঠ্যক্ৰমত নামভৰ্তি কৰা দাৰিদ্ৰ্য সীমাৰেখাৰ তলৰ পৰিয়ালৰ ছাত্ৰ-ছাত্ৰীক মাচুল ৰেহাই দিয়া ৩৬৭খন মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়ক ১২৭ কোটি টকা প্ৰদান কৰা হয়। ইয়াৰ ফলত ১, ৭৫, ৮১৭ গৰাকী শিক্ষাৰ্থী উপকৃত হৈছে। অনুষ্ঠানত ভাষণ দি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে ২০২১ চনৰ বিধানসভা নিৰ্বাচনৰ প্ৰচাৰৰ সময়ত দিয়া প্ৰতিশ্ৰুতি পূৰণ কৰিবলৈ চৰকাৰ সক্ষম হৈছে। ১ লাখ যুৱক-যুৱতীক চৰকাৰী চাকৰিত নিযুক্তিৰ প্ৰতিশ্ৰুতি দিয়া হৈছিল যদিও আজি পৰ্যন্ত ১, ৩৫, ৩৭৬গৰাকী যুৱক-যুৱতীক সম্পূৰ্ণ স্বচ্ছ আৰু নিকা প্ৰক্ৰিয়াৰে চৰকাৰী চাকৰিত নিযুক্তি দিয়া হৈছে। তেওঁ কয় যে এয়া কেৱল অসম চৰকাৰৰ নিয়মীয়া পদত নিযুক্তি দিয়া ( নপৃষ্ঠাত চাওক)

# ২২ নৱেম্বৰত আছুক বৈঠকলৈ আমন্ত্ৰণ মুখ্যমন্ত্ৰীৰ



ৰঙিলী বাৰ্ত্তাসেৱা- অসম চুক্তিৰ ৬নং দফাৰ আধাৰত অসমৰ খিলঞ্জীয়া মানুহক সাংবিধানিক ৰক্ষাকৱচ প্ৰদান কৰাৰ উদ্দেশ্যে কেন্দ্ৰীয় চৰকাৰে অৱসৰপ্ৰাপ্ত ন্যায়াধীশ বিপ্লৱ কুমাৰ শৰ্মাৰ অধ্যক্ষতাত গঠন কৰা উচ্চস্তৰীয় সমিতিৰ প্ৰতিবেদন কাৰ্যকৰীকৰণৰ সন্দৰ্ভত ২২ নৱেম্বৰত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত অসম চৰকাৰ আৰু সদৌ অসম ছাত্ৰ সন্থাৰ মাজত পুনৰ এক আলোচনা অনুষ্ঠিত হ'ব। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত অনুষ্ঠিত হ'ব লগা এই বৈঠকত আছুৰ সভাপতি উৎপল শৰ্মা, সাধাৰণ সম্পাদক সমীৰণ ফুকন আৰু মুখ্য উপদেষ্টা ড° সমুজ্জ্বল ভট্টাচাৰ্য উপস্থিত থাকিব। উল্লেখ্য যে অৱসৰপ্ৰাপ্ত ন্যায়াধীশ বিপ্লৱ কুমাৰ শৰ্মা সমিতিৰ প্ৰতিবেদনৰ ৬৭টা বিষয় অসম চৰকাৰৰ কেবিনেটে চিনাক্ত কৰিছিল। ইয়াৰে ৪০টা বিষয় সম্পূৰ্ণ অসম চৰকাৰৰ আওতাত থকাৰ বিপৰীতে ১৫টা বিষয় সম্পূৰ্ণৰূপে কেন্দ্ৰীয় চৰকাৰৰ আওতাত আৰু ১২টা বিষয় কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ উভয়ৰে আওতাত পৰে। মুখ্যমন্ত্ৰীৰ অধ্যক্ষতাত আছুৰ পূৰ্বে হোৱা আলোচনাত ৰাজ্য চৰকাৰৰ আওতাত পৰা ৩৮টা বিষয়ত সিদ্ধান্ত গ্ৰহণ কৰা হৈছিল আৰু এই ( নপৃষ্ঠাত চাওক)

# ডিব্ৰুগড়ৰ শ্ৰী শ্ৰী অনিৰুদ্ধদেৱৰ ক্ৰীড়া বিশ্ববিদ্যালয়ৰ নতুন উপাচাৰ্য ড° হীৰেন্দ্ৰ নাথ শৰ্মাৰ ৰাজভৱনত শপত গ্ৰহণ

ৰঙিলী বাৰ্ত্তাসেৱা- ডিব্ৰুগড়ৰ শ্ৰী শ্ৰী অনিৰুদ্ধদেৱ ক্ৰীড়া বিশ্ববিদ্যালয়ৰ নতুন উপাচাৰ্য হিচাপে অৰুণাচল প্ৰদেশৰ ৰাজীৱ গান্ধী বিশ্ববিদ্যালয়ৰ জীৱ বিজ্ঞান বিভাগৰ অধ্যাপক ড° হীৰেন্দ্ৰ নাথ শৰ্মাক অসমৰ ৰাজ্যপাল লক্ষ্মণ প্ৰসাদে আচাৰ্যই আনুষ্ঠানিক ভাৱে ড° শৰ্মাক নিযুক্তি প্ৰদান কৰিছে ক্ৰীড়া বিশ্ববিদ্যালয়খনৰ উপাচাৰ্য হিচাপে । আজি ৰাজভৱনত ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই শপত বাক্য পাঠ কৰি দায়িত্ব প্ৰদান কৰা ড° শৰ্মাই দ্বিতীয় গৰাকী উপাচাৰ্য হিচাপে শপতগ্ৰহণ কৰে। অনুষ্ঠানত অসম চৰকাৰৰ ক্ৰীড়া বিভাগৰ মন্ত্ৰী নন্দিতা গাৰ্লোচা, অসম চৰকাৰৰ উচ্চ



পদস্থ বিষয়াৰ লগতে শ্ৰী শ্ৰী অনিৰুদ্ধদেৱ ক্ৰীড়া বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক পংকজ বৰঠাকুৰ শপত গ্ৰহণ অনুষ্ঠানত অংশগ্ৰহণ কৰে। উল্লেখযোগ্য যে এই বিশ্ববিদ্যালয়ৰ খনৰ ভাৰপ্ৰাপ্ত উপাচাৰ্য হিচাপে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ বৰ্তমানৰ উপাচাৰ্য ড° জিতেন হাজৰিকা কাৰ্যনিৰ্বাহ কৰিছিল।

# ইংগিত



ৰীতা বুঢ়াগোহাঁই,তিনিচুকীয়া

সময় সলনি হ'ল, চিন্তা বিপৰীত হ'ল
তোক মাৰি মই খাম, সৰ্ব্ব গ্ৰাহ কৰিম।
ৰোজগাৰী জনতাৰ যুক্তিয়ে আজি
উত্তৰ বিচাৰি হাহাকাৰ কৰি
পদে-পদে খায় উজুটি ।
একোটি পঁজা ঘৰ
দেহৰ ঘামেৰে সজা
এমুঠি অন্নৰ বাবে সৰ্ব্ব ভুক
হুতাশন নিৰ্দয় নিৰ্মম ব্যৱহাৰ
বিচাৰৰ যে আজি
আদালত নাই দৰিদ্ৰৰ ।
বীৰদৰ্পে মহাবাহু মেলি
ধ্বংসৰ দানৱ আহে আগুৱাই
নিঃকিণ জীৱনৰ কান্দোন
বুকুতে লুকাই ।
প্ৰলয়ৰ জাগ্ৰত ক্ষুধাত
জাহ গ'ল সৰ্ব্বগামী
জহি-খঁহি পৰিল দেৱাল
জুপুৰিও ঠান-ঠিক
নোহোৱা হ'ল
মুক, অন্ধ হৈ ৰ'ল
নিৰ্জনতাৰ অন্ধকাৰত
চৌদিশে জীৱন জ্বলিছে
আৰ্তজনৰ হাহাকাৰত
মানুহৰ আজি কোনো দাম নাই
মৃত্যুৰ বাবেও চকুপানী শুকাল
বিপন্ন সময় আৰু বিপন্ন দেশ
ৰজা- মহাৰজাৰ শাসন কালত
বিশ্বাস জীৱনৰ ছন্দ হেৰাল
কম্পিত প্ৰাণো আজি গৰ্ভৰ ভ্ৰূণ
আকাশ-বতাহ কলুষিত হ'ল
সমাজ সংস্কৃতিৰ মূধাখুটাও লৰিল ।।

অণুগল্প

# এমুঠি জীৱন



যমুনা দুলু বৈশ্য,শুৱালকুছি

ৰক্তাক্ত মৃতদেহটো দেখি দৌৰাদৌৰিকৈ আহি ইফালে- সিফালে চাই হুকহুকাই কান্দিবলৈ ধৰিলে।
আঁচলত বান্ধি লৈ ফুৰা সপোন বোৰে নয়নাই, এমুঠি জীৱনৰ আশাবোৰ——!!
চকুতে শুকাই যায় মধুৰ সম্পৰ্কৰ প্ৰতিচ্ছবিবোৰে ওঁঠত বাজি ৰয় নিঃসঙ্গে--।

# পকী ৰাস্তাত দূৰৈত পানী পৰি থকা যেন কিয় দেখোঁ?



বন্দিতা শৰ্মা কন্দলি

মৰমৰ মইনাহঁত, প্ৰখৰ ৰ'দৰ বতৰত পকী ৰাস্তাৰে ফুৰিবলৈ গ'লে দূৰৈত পানীৰ দোঙা বা পানী পৰি থকা যেন দেখা পাওঁ। কিন্তু ওচৰত গৈ দেখো পানী নাই। শুকান ৰাস্তা। এই যে পানী আছে বুলি ভুলকৈ দেখিলোঁ তাকেই মৰীচিকা বুলি কোৱা হয়। অৰ্থাৎ মৰীচিকা হৈছে পোহৰৰ এক প্ৰাকৃতিক বিভ্ৰান্তি, য'ত দূৰৈৰ বস্তু বা দৃশ্য যেনে পানী বা গছ- গছনিৰ ওলোটা দৃশ্য যেন দেখা যায় কিন্তু প্ৰকৃততে তেনে বস্তু নাথাকে।

মৰীচিকা সাধাৰণতে মৰুভূমি বা গৰমৰ দিনত পোন পকী পথত দেখা পোৱা যায়। বায়ু গৰম হ'লে পাতল হয় আৰু ইয়াৰ ঘনত্ব কম। আনহাতে চেঁচা বায়ুৰ ঘনত্ব বেছি। মৰুভূমিৰ বালিৰ গাতে লাগি থকা বায়ুস্তৰ গৰম আৰু ওপৰলৈ ক্ৰমে চেঁচা। এই গৰম আৰু চেঁচা বায়ুৰ মাজেৰে পোহৰে গতি কৰোঁতে দুই মাধ্যমৰ সংযোগ স্থলত সামান্য বেকাকৈ পোহৰৰ ৰশ্মিয়ে গতি কৰে। ফলস্বৰূপে চকুৰ বিভ্ৰান্তিৰ সৃষ্টি হয়। মৰুভূমিত দূৰৈত থকা গছ এজোপাৰ ওলোটা প্ৰতিবিম্ব বাটৰুৱাৰ চকুত পৰেগৈ। যিহেতু পানীতহে তেনে ওলোটা প্ৰতিবিম্ব দেখা পোৱা যায়, সেয়ে বাটৰুৱাজনে দূৰৈত পানীৰ হ্ৰদ আছে বুলি ভাবি ভুল কৰে।

পকী ৰাস্তাত দূৰৈত পানী পৰি থকা যেন দেখাৰ কাৰণ হৈছে গৰম দিনত মাটিৰ(পকী ৰাস্তা) ওচৰৰ বায়ু গৰম আৰু পাতল হয় বাবে ইয়াৰ ঘনত্ব কমে। আনহাতে ওপৰৰ বায়ু তুলনামূলকভাৱে শীতল আৰু ঘন হয়। যেতিয়া পোহৰৰ ৰশ্মি ঘন মাধ্যমৰ পৰা পাতল মাধ্যমৰ মাজেৰে যায়, তেতিয়া ইয়াৰ গতিপথ বেঁকা হৈ পৰে। এই বেঁকা পোহৰে আমাৰ চকুত পানী পৰি থকাৰ দৰে বিভ্ৰান্তিৰ সৃষ্টি কৰে। এই ঘটনাই হৈছে মৰীচিকা।

মৰীচিকা দুই ধৰণে হয়- উচ্চ মৰীচিকা আৰু নিম্ন মৰীচিকা। উচ্চ মৰীচিকা সাধাৰণতে শীতল অঞ্চলত দেখা যায়। এনে ঠাইত বৰফ বা পানীৰ পৰা বাষ্প ওপৰলৈ উঠে অৰ্থাৎ তলত চেঁচা ওপৰত গৰম। তেতিয়াও পোহৰে বেকাকৈ গতি কৰি মৰীচিকা সৃষ্টি কৰে। নিম্ন মৰীচিকা গৰম অঞ্চলত দেখা যায়, য'ত মাটিৰ ওচৰৰ বায়ু গৰম হৈ পোহৰক বেঁকা কৰে। উচ্চমৰীচিকাৰ বাবেই সাগৰীয় ঠাণ্ডা অঞ্চলত দূৰৰ জাহাজৰ প্ৰতিবিম্ব আকাশত ওলমি থকা যেন দেখা যায়।

# চিত্ৰগল্প



কবিতা শৰ্মা, গোলাঘাট, চিনাতলী

"Water, water, every where
Nor any drop to drink"
(S T Coleridge)

চিত্ৰগল্প এটা
সাঁতুৰি আছে
বিস্তীৰ্ণ জলৰাশিত
সাঁতুৰিছে
অথচ
পিয়াহত ডিঙিটো শুকাইছে
জল তৰংগৰ
ৰোমাঞ্চকৰ আন্দোলনত
চিত্ৰগল্পই হাঁহিছে
সাঁতুৰি আছে
সাঁতুৰি আছে
অণ্ঠকণ্ঠ পিছে শুকাইছে
কান্দিছে
ভাগৰিছে
শুইছে
টোপনিত কোনোবা আহিছে
প্ৰিয়বন্ধু নীটছেঃ
" কি হে বন্ধু
পিয়াহত মৰিছা
মৰা মৰা
মোৰ মৰমৰ শূন্যটোৰ বাদে
মিছা মিছা
সকলো মিছা
গড্ ইজ্ ডেড্
মোৰ আলিংগন ল'বা "
চিত্ৰগল্প মৰিছে
নিৰ্বাক সমাধিত
সবাক বিস্ময়
দগ্ধ অবাক উপলব্ধি

# মই অপেক্ষা কৰি ৰম



**চিমী বৰুৱা, মৰিগাঁও চৰাইবাঁহী**

বিগত তিনিবছৰ ধৰি নীলা প্ৰতিটো বৰষুণৰ দিনত একেটা স্থানত আহে- নদীৰ কাষৰ বটগছৰ তলত। সেই ঠাইটোতেই নীলা আৰু অৰূপে প্ৰথম দেখা হৈছিল ।

অৰূপে ঘূৰি যাওঁতে কৈছিল, “নীলা, যি দিনা প্ৰথম বৰষুণ পৰিব, মই ঘূৰি আহিম। তেতিয়ালৈ তুমি অপেক্ষা কৰিবা।”

সেই দিনৰ পৰা নীলাৰ জীৱনটো যেন সময়ৰ পৰা আটব হৈ পৰিল। প্ৰতিটো বৰষুণে তাইক সেই কথা মনত পেলোৱাই। আজিও আকাশত ধুমুহা মেঘ, বজ্ৰৰ গৰ্জন, আৰু বতাহে বতৰি দিয়ে-বৰষুণ নামিবই। নীলা ওলাই আহিল, হাতত ছাতি, চকুত আশা। বৰষুণৰ প্ৰথম টোপালটো পৰিল, নীলাৰ ওঁঠত মৃদু হাঁহি। কিন্তু অৰূপ আহিল নে?

ঘণ্টা পাছত ঘণ্টা ধৰি বাটটো খালী হৈ থাকিল। মানুহবোৰে ঘৰলৈ ঘূৰি যায়, বৰষুণ বাঢ়ি যায়, আকাশ ওচৰলৈ নামি আহে। নীলাৰ কণ্ঠত এক নীঃশব্দ বেদনাই ফুটি উঠিছে...

“মই অপেক্ষা কৰি ৰম, তুমি আহিবা জানো উভতি?” বৰষুণৰ টোপালে তাইৰ চকুপানী লগত মিলি গ’ল। তাই তাতেই থিয় হৈ ৰ’ল-যেন সময়ৰ ওপৰত অঁকা এটা প্ৰতিচ্ছবি। মানুহে কয়, প্ৰতিটো বৰষুণৰ নিশা বটগছৰ তলত এজনী ছোৱালীক দেখা যায়-হাতত ছাতি, চকুত আশা, মুখত হাঁহি....যেন তাই এতিয়াও কয়, “মই অপেক্ষা কৰি ৰম, তুমি আহিবা জানো উভতি?”

# আঘোণৰ এখন হেৰাই যোৱা



**নিবেদিতা হাজৰিকা, লখিমপুৰ**

অসমীয়া গ্ৰাম্য জীৱনত আঘোণ মাহটোৰ গুৰুত্ব অপৰিসীম। এই আঘোণ মাহটো বহু ব্যস্ততম সময়। পৰম্পৰা অনুসৰি আঘোণ মাহ সোণগুটি চপোৱাৰ সময়।

আঘোণ মানেই যেন প্ৰাপ্তিৰ আনন্দ, আশাৰ বতৰা। আঘোণৰ সোণোৱালী পথাৰখনে কৃষকক ৰিঙিয়াই মাতে। মূৰৰ ঘাম মাটিত পেলাই আঘোণ মাহতে কৃষকে বছৰটোৰ বাবে সোণগুটি চপাই আনে। এই মাহতে শস্যৰে কৃষকৰ ভঁৰাল ভৰি পৰে। কৃষকে সেই খেতিৰ ধান মুঠি আকাৰে কঢ়িয়াই আনে আৰু ঘৰৰ চোতালত গৰুৰ সহায়ত মৰণা মাৰি সেই ধান ৰ’দত শুকুৱাই বছৰটোলৈ সামৰি থয়।

কিন্তু আজি একালৰ চিৰ পৰিচিত আঘোণৰ সেই দৃশ্য যেন চকুৰ আগতে নোহোৱা হৈ যাব ধৰিছে। শাওণৰ শ্ৰমবোৰ সোণগুটি ৰূপে আদৰি আনি চোতালত মৰণা মাৰি থোৱাৰ দৃশ্যটো এটা সময়ত প্ৰায় সকলোৰে ঘৰতে দেখা পোৱা সুলভ দৃশ্য আছিল। যিখন ছবিত জীৱন্ত হৈ উঠিছিল চহা অসমীয়াৰ প্ৰকৃত জীৱন। পুৱাৰ শান্ত - সমাহিত পৰিৱেশত গৰুৰে মৰণা মাৰি থকা নয়নাভিৰাম দৃশ্য দেখিবলৈ এক প্ৰকাৰ নোহোৱাই হ’ল বুলি ক’ব পাৰি। মৰণা মৰাৰ সময়ত লোৱা ৰঙা চাহ, পানী পিঠাৰ জুতি আজিৰ প্ৰজন্মই হয়তো দেখাও নাই, সেই সোৱাদ পোৱাও নাই। সময়ৰ সোঁতত এনে দৰেই চহা জীৱনৰ অনুভূতি বিজড়িত হৈ থকা বহু দৃশ্যই যেন দেখিবলৈ নোহোৱা হ’ল। এছাৰি, মোখোৰা, ওখোন আদিও দেখিবলৈ নোহোৱা হ’ল বুলি ক’ব পাৰি। কিমানৰ মনত আছে মৰণাৰ কাষত বহি খোৱা চাহ কাপৰ সোৱাদ? এঘৰৰ খেতি শেষ হ’লে আন ঘৰলৈ গৈ সহায় কৰা, মৰণা আদিত লাগি দিয়াৰ পৰম্পৰাও লাহে-লাহে হেৰাই যাব ধৰিলে। এঘৰৰ চোতালত মৰণা পেলাই থোৱা দেখি উপযাচি আহি সহায় কৰাৰ উদাহৰণ অলেখ শুনিবলৈ পোৱা যায়।

মৰণা মৰাৰ দৃশ্য অসমৰ শ্ৰম জীৱী কৃষক সমাজৰ চিৰ পৰিচিত সুলভ দিশও কালৰ সোঁতত হেৰাই যোৱাৰ উপক্ৰম হ’ল। বলধ গৰু যুটি হাল বাবলৈ, মৰণা মাৰিবলৈ এতিয়া মানুহৰ সময় নোহোৱা হ’ল। বিজ্ঞান - প্ৰযুক্তিয়ে যেন সকলো নোহোৱা কৰিলে। নতুন- নতুন যন্ত্ৰৰ আৱিষ্কাৰে মানুহৰ জীৱন সলনি কৰি তুলিলে সঁচা কিন্তু মাদকতা ভৰা কিছুমান দৃশ্য স্মৃতিলৈ পৰিণত হ’ল। ঠিক যিদৰে আঘোণ মাহৰ মৰণা মৰাৰ দৃশ্য আজি এক প্ৰকাৰ দুৰ্লভ হৈ পৰিল। কোনো -কোনো ঠাইত অৱশ্যে আজিও গৰুৰেই মৰণা মাৰে যদিও এই সংখ্যা আঙুলিৰ মূৰত লিখিব পৰা। এদিন অসমৰ মানুহে ধান চপাই দাঙৰিবোৰ ৰ’দ বতৰত চোতালত মেলি আবেলি বা সন্ধিয়া সময়ত মৰণা মাৰিছিল বুলি কোৱা কথাষাৰ বহুতৰ সাধু কথা যেন লাগিব আৰু বহুতৰ বাবে ই এক মধুৰ স্মৃতি হৈ ৰ’ব। আধুনিক যান্ত্ৰিকতাৰ আগ্ৰাসনত গাঁও সমূহৰ চিনাকি বহু ছবি, পৰিৱেশ সলনি হৈ গ’ল। হেৰাই গ’ল এই সমূহৰ লগত জড়িত হৈ থকা আবেগ। সময়ৰ সোঁতত ক্ৰমাৎ এখন এখন চিনাকি ছবি যেন পাহৰণিৰ গৰ্ভত। মনত পৰিব মৰণা মৰা দিনবোৰলৈ। সঁচাই উভতি যাবৰ মন যায় সেই দিনবোৰলৈ।

# পৰিণতি



**ৰুক্মিণী দাস, শ্ৰীহাটী**

মই জুবিনে কৈছো
তেল থাকোঁতেই
নুমাই গ’ল মোৰ
জীৱন বন্তি
কিনো কৰিম কেঁচা
কলিজাৰ ৰং সানি
দুষ্ট চক্ৰই মোৰ ল’লে
জীৱন কাঢ়ি ।।
গৰলকে অমৃত বুলি ভাবি
পান কৰিছিলো বিষ
মোৰ শিৰে শিৰে
কালকূট বিষে
গোটেই শৰীৰ ধৰিলে আৱৰি,
আৰু মোৰ প্ৰাণ বায়ু
উৰি গ’ল অজান দেশলৈ
উভতি নহাৰ দেশলৈ ।
কিন্তু মই আছো
সোনাপুৰত বৈ
কোনে কি কৰিছে
তাকে চাৱলৈ,
দেখি আছো মোৰ সমাধিত
অহৰ্নিশে জ্বলি আছে
চাকি বন্তি
জুবিন ক্ষেত্ৰ মন্দিৰত
পৰিণত হ’ল আজি ।।
কুটিল চক্ৰৰ হাতত
পৰাজিত হ’লো মই
শেষ পৰণতি চা’বলৈ
ৰৈ আছো ইয়াতে মই

# বিমূৰ্ত



**পাপৰি শইকীয়া বৰা,গোলাঘাট টাউন**

এজাৰ ৰঙৰ এটি সন্ধ্যা
ঈশ্বৰৰ ঘৰত শঙ্খধ্বনি
জীৱনৰ সিপাৰত অন্য এক জীৱনৰ আস্বাদন
আমি খামুচি থকা জিগুৰৰ পাখিৰ স্বপ্নৰ হাবিয়াস
আৰু চেতনাৰ বৈভৱেৰে
কাল আকাল
বাস্তৱ বিভ্ৰম
শেষ নোহোৱা কথকতা ---।

জনতাৰ চৰকাৰ | my GOV মেৰী সৰকাৰ

অসম চৰকাৰ
উচ্চ আৰু বিদ্যালয় শিক্ষা বিভাগ

JANASANYOG- 3123/25/23-Nov-25

# নিযুত মইনা ২.০ৰ

## চেক বিতৰণ

মুখ্যমন্ত্ৰীৰ
নিযুত মইনা
আঁচনি



উচ্চ শিক্ষা আহৰণৰ দিশত ৰাজ্যৰ
**১০ লাখ**
কন্যা শিক্ষাৰ্থীৰ বাবে অসম চৰকাৰৰ অভিলাষী পদক্ষেপ



## জিলা অনুসৰি ছাত্ৰীৰ সংখ্যা

| জিলা | উচ্চ শিক্ষা | বিদ্যালয় শিক্ষা | এছ চি ই আৰ টি | মুঠ |
|---|---|---|---|---|
| কামৰূপ | ১০৯৭৫ | ১১৪৩৩ | ১৩ | ২২৪২১ |
| কামৰূপ (মহানগৰ) | ১৩১৬৩ | ৭৯০১ | ২০ | ২১০৮৪ |
| নগাঁও | ৯৬৩৩ | ৯৭৩৬ | ৭ | ১৯৩৭৬ |
| বৰপেটা | ৭২৭২ | ১১০৩১ | ৪৬ | ১৮৩৪৯ |
| কাছাৰ | ৬১০৭ | ১০৫৫৮ | ১৯ | ১৬৬৮৪ |
| ধুবুৰী | ৫৭৯২ | ১০১৮১ | - | ১৫৯৭৩ |
| লখিমপুৰ | ৬৬২২ | ৮৫৭৯ | ২৪ | ১৫২২৫ |
| ধেমাজি | ৫২৪৪ | ৭৬৫৬ | ১৪ | ১২৯১৪ |
| কোকৰাঝাৰ | ৬০৯২ | ৬৫৯৯ | ৪৭ | ১২৭৩৮ |
| ডিব্ৰুগড় | ৫৯৪২ | ৬৩২৩ | ৪৯ | ১২৩১৪ |
| গোৱালপাৰা | ৪৫৭৩ | ৭৪১১ | ৫৪ | ১২০৩৮ |
| মৰিগাঁও | ৪০৬৯ | ৭৮০১ | ১১৪ | ১১৯৮৪ |
| নলবাৰী | ৫৮৮৩ | ৫৯১৯ | ৪৭ | ১১৮৪৯ |
| গোলাঘাট | ৪৮৫৪ | ৬৬৭৬ | ৩৫ | ১১৫৬৫ |
| শোণিতপুৰ | ৫৪৭৩ | ৫৮১৬ | ৮৩ | ১১৩৭২ |
| যোৰহাট | ৫৫৫২ | ৫২৭২ | ৬৯ | ১০৮৯৩ |
| শ্ৰীভূমি | ৪৫৩১ | ৫৪৮৭ | ২৪ | ১০০৪২ |
| তিনিচুকীয়া | ৪০৩০ | ৫৭৭১ | - | ৯৮০১ |

| জিলা | উচ্চ শিক্ষা | বিদ্যালয় শিক্ষা | এছ চি ই আৰ টি | মুঠ |
|---|---|---|---|---|
| দৰং | ৪৫৪৪ | ৪৩৮০ | ৮ | ৮৯৩২ |
| শিৱসাগৰ | ৩৭১২ | ৪৪১৭ | - | ৮১২৯ |
| ওদালগুৰি | ৪২৪৫ | ৩৭২০ | - | ৭৯৬৫ |
| বঙাইগাঁও | ৩৭৯১ | ৩৯৪৩ | ৫৫ | ৭৭৮৯ |
| হোজাই | ৪২১১ | ৩৪৮২ | - | ৭৬৯৩ |
| বিশ্বনাথ | ২৭৪৪ | ৪৪৫৫ | ৩২ | ৭২৩১ |
| হাইলাকান্দি | ২৫৪৭ | ৪৩৫৪ | ২৪ | ৬৯২৫ |
| বাক্সা | ১৯১৭ | ৩৪৭১ | - | ৫৩৮৮ |
| বজালী | ২৯২৫ | ২২৬১ | - | ৫১৮৬ |
| তামুলপুৰ | ১২৭০ | ৩৩৩৪ | - | ৪৬০৪ |
| চিৰাং | ২৪৭১ | ২১২০ | - | ৪৫৯১ |
| চৰাইদেউ | ১৭০৬ | ২৭৮৫ | - | ৪৪৯১ |
| কাৰ্বি আংলং | ২১৭২ | ২২২৭ | ১৯ | ৪৪১৮ |
| দক্ষিণ শালমাৰা-মানকাচৰ | ১৮৬৯ | ১৮০২ | - | ৩৬৭১ |
| মাজুলী | ১৪৫৩ | ১৬১৫ | - | ৩০৬৮ |
| ডিমা হাছাও | ৯৯০ | ১৭২৫ | ৩২ | ২৭৪৭ |
| পশ্চিম কাৰ্বি আংলং | ১৬৩ | ৬৫২ | - | ৮১৫ |
| মুঠ | ১৫৮৫৩৭ | ১৯০৮৯৩ | ৮৩৫ | ৩৫০২৬৫ |

২০২৪-২৫
১.৬ লাখ ছাত্ৰীলৈ
১৩৩ কোটি টকা মুকলি

২০২৫-২৬
৩.৫ লাখ+ ছাত্ৰীলৈ
নিযুত মইনা আঁচনিৰ সুবিধা

### সামাজিক ফলপ্ৰসূতা

- উচ্চ শিক্ষাত ছাত্ৰীৰ নামভৰ্তি বৃদ্ধি
- বাল্য বিবাহ প্ৰতিৰোধ তথা কিশোৰী অৱস্থাৰ মাতৃত্বৰ হাৰ হ্ৰাস
- আৱেগিক, মানসিক আৰু শাৰীৰিকভাৱে পৰিপক্ক বয়সৰ নোহোৱালৈকে কন্যাসকলৰ বিবাহ প্ৰতিৰোধ
- শিশুৰ শিক্ষা, স্বাস্থ্য আৰু সুৰক্ষাৰ অধিকাৰ সুনিশ্চিতকৰণ

তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত | Connect with us @diprassam | dipr.assam.gov.in

# নাৰী নিৰ্যাতন বন্ধ কৰোঁ আহক



পাৰ্থ প্ৰতীম গগৈ, যোৰহাট

মই বা আপুনি নিচেই সাধাৰণ মানুহ। আমাৰ কথাৰ কোনো মূল্য নাই। আপোনাৰ বা মোৰ আশীৰ্বাদৰ মূল্য আছে নে নাই তাকো আমি নাজানো তথাপি আমি ভগৱানক সেৱা কৰোঁ।

১৯৪৭ চনতে ভাৰতবৰ্ষ স্বাধীন হৈছিল কিন্তু আমাৰ মনবোৰ স্বাধীন হোৱা নাই। নাৰীবোৰ স্বাধীন হোৱা নাই। আজিৰ পৰা ১৮ মাহ আগৰ কথা, সেইটোৱে বাতৰি কাকতৰ শিৰোনামা ও দখলৰ কৰিছিল যে-“যি সময়ত দিল্লী মহিলা আয়োগৰ অধ্যক্ষ সুৰক্ষিত নহয়, তেন্তে আমিবোৰ ক'ত সুৰক্ষিত।” যিখন দেশত নাৰীক দেৱীৰ লগত তুলনা কৰি পূজ কৰা হয়, যিখন দেশত ১০ মাহ ১০ দিন ধৰি সন্তানক গৰ্ভত ৰাখি এই পৃথিৱী খন দেখুৱাই তেনে পুত্ৰই আজিৰ সমাজত নিজৰ যৌনগামী ভোগ পূৰণ কৰিবৰ বাবে নাৰীক ব্যৱহাৰ কৰা দেখা যায় আৰু কেউফালে মাথোঁ শুনিবলৈ পোৱা যায় ধৰ্ষণ ধৰ্ষণ ধৰ্ষণ। কিমান দিন আৰু এনেকৈ চলিব। ২০২৪ চনত ৰাষ্ট্ৰসংঘই এখন প্ৰতিবেদন প্ৰকাশ কৰিছিল সেইখন এনেধৰণৰ-

ৰাষ্ট্ৰসংঘৰ মহিলা উন্নয়ন সংস্থা আৰু ড্ৰাগছ আৰু অপৰাধৰ কাৰ্যালয় (ইউএনঅ'ডিচি) য়ে প্ৰকাশ কৰা প্ৰতিবেদনত নিজৰ ঘৰখনেই হৈছে মহিলাসকলৰ বাবে আটাইতকৈ বিপদজনক ঠাই। ইউএনঅ'ডিচিয়ে প্ৰকাশ কৰা “ফেমিচাইডছ ইন ২০২৩ঃ গ্ল'বেল এষ্টিমেটছ অৱ ইন্টিমেট পাৰ্টনাৰ/ফেমিলি মেম্বাৰ ফেমিচাইডছ” শীৰ্ষক প্ৰতিবেদনত উল্লেখ কৰা অনুসৰি, ২০২৩ চনত নিজৰ ঘনিষ্ঠ সংগী অথবা পৰিয়ালৰ সদস্যৰ হাতত প্ৰাণ হেৰুৱাবলগীয়া হৈছে প্ৰায় ৫১, ১০০ গৰাকী মহিলা আৰু যুৱতীয়ে। ২৫ নৱেম্বৰত পালন কৰা ‘মহিলাৰ বিৰুদ্ধে হিংসা নিৰ্মূলৰ আন্তঃৰাষ্ট্ৰীয় দিৱস’ উপলক্ষে প্ৰকাশ কৰা হয় এই প্ৰতিবেদন। ৰাষ্ট্ৰসংঘৰ প্ৰতিবেদন অনুসৰি, সেই বছৰ ইচ্ছাকৃতভাৱে হত্যা কৰা প্ৰায় ৮৫ হাজাৰ মহিলা আৰু ছোৱালীৰ ভিতৰত ৬০ শতাংশই হত্যাৰ বলি হৈছিল ঘনিষ্ঠ সংগী বা পৰিয়ালৰ সদস্যৰ হাতত। উল্লেখ্য যে, এই সংখ্যা ২০২২ চনত আছিল ৪৮, ৮০০ গৰাকী। প্ৰতিদিনে পৰিয়ালৰ সদস্যৰ হাতত গড়ে ১৪০ গৰাকী মহিলা বা যুৱতীৰ মৃত্যু হয়, যিটো প্ৰতি ১০ মিনিটৰ মূৰে মূৰে এগৰাকী মহিলাৰ মৃত্যুৰ সমান। প্ৰতিবেদত প্ৰকাশ পোৱা অনুসৰি, বিশ্বৰ বিভিন্ন অঞ্চলত মহিলাৰ বিৰুদ্ধে সংঘটিত গাৰ্হস্থ্য হিংসাৰ পৰিসংখ্যা আতংকজনক। আফ্ৰিকাত এই সংখ্যা সৰ্বাধিক, য'ত ২১, ৭০০ গৰাকী মহিলাই প্ৰাণ হেৰুৱাইছিল আত্মীয় আৰু পৰিয়ালৰ সদস্যৰ হাতত। তাৰ পিছতে এই তালিকাত আছে এছিয়া (১৮, ৫০০ গৰাকী), আমেৰিকা (৮, ৩০০ গৰাকী), ইউৰোপ (২, ৩০০ গৰাকী) আৰু ওচেনিয়া (৩০০ গৰাকী)। আমেৰিকা আৰু ওচেনিয়াত মহিলাৰ বিৰুদ্ধে গাৰ্হস্থ্য হিংসাৰ হাৰ ক্ৰমে প্ৰতি এক লাখৰ বিপৰীতে ১.৬ আৰু ১.৫। ইয়াৰ তুলনাত এছিয়াত এই হাৰ ০.৮ আৰু ইউৰোপত ০.৬। প্ৰতিবেদনত উল্লেখ কৰা হৈছে যে পুৰুষৰ বাবে বেছিভাগ হত্যাকাণ্ড ঘৰৰ বাহিৰত সংঘটিত হয়, আনহাতে ঘৰখনেই মহিলাৰ বাবে হৈছে আটাইতকৈ বিপজ্জনক ঠাই। মাত্ৰ ১১.৬ শতাংশ পুৰুষক পৰিয়ালৰ সদস্যই হত্যা কৰাৰ বিপৰীতে গাৰ্হস্থ্য হিংসাৰ বলি হোৱা মহিলাৰ হাৰ হৈছে ৬০.২ শতাংশ। ইউৰোপত ২০২৩ চনত হত্যাৰ বলি হোৱা ৬৪ শতাংশ আৰু আমেৰিকাত ৫৮ শতাংশ মহিলাক তেওঁলোকৰ ঘনিষ্ঠ সংগীয়েই হত্যা কৰিছিল। নাৰীৰ প্ৰতি বৈষম্যমূলক মনোভাৱ, সামাজিক নীতি আৰু পুৰুষৰ আধিপত্যৰ মানসিকতাই এই হিংসাক উৎসাহিত কৰে বুলিও প্ৰতিবেদনত আলোকপাত কৰা হৈছে। প্ৰতিবেদনত উল্লেখ কৰা হৈছে যে এনে হিংসা ৰোধৰ বাবে সামাজিক আৰু আইনী সংস্কাৰ অতি গুৰুত্বপূৰ্ণ। ৰাষ্ট্ৰসংঘৰ বাৰ্ষিক সমীক্ষাৰ জৰিয়তে ১১২খন দেশৰ সদস্য ৰাষ্ট্ৰৰ পৰা লাভ কৰা তথ্যৰ ভিত্তিত এই প্ৰতিবেদন প্ৰস্তুত কৰা হৈছে।

নাৰী হত্যাৰ মুখ্য চাৰিটা কাৰণ হ'লঃ-

১) লিংগ-ভিত্তিক নিৰ্যাতনঃ নাৰীসকলক তেওঁলোকৰ লিংগৰ বাবেই নিৰ্যাতন আৰু হত্যা কৰা হয়।

২) ঘৰুৱা হিংসাঃ বিশ্ব স্বাস্থ্য সংস্থাৰ মতে, নাৰী হত্যাৰ বহু ঘটনা তেওঁলোকৰ স্বামী বা প্ৰাক্তন সংগীৰ দ্বাৰা সংঘটিত হয়, যাৰ লগত ঘৰুৱা নিৰ্যাতন, যৌন হিংসা আৰু ভাবুকি জড়িত থাকে।

৩) যৌতুকৰ দৰে সমস্যাঃ যৌতুক সম্পৰ্কীয় বিবাদৰ ফলতো নাৰী হত্যাৰ ঘটনা ঘটে।

৪) অন্ধবিশ্বাসঃ ‘ডাইনী’ বা ‘সন্মান ৰক্ষাৰ’ নামতো নাৰী হত্যা কৰা হয়।

এটা কথা ঠিক যে অকল আইন-পুলিচে নাৰীক সুৰক্ষা দিয়াটো সম্ভৱ নহয়। ইয়াৰ বাবে প্ৰয়োজন আইনৰ ব্যৱহাৰিক ৰূপায়ণ আৰু ব্যাপক সামাজিক সজাগতা। বহু ক্ষেত্ৰত নাৰীসকল এই আইনগত দিশৰ বিষয়ে জ্ঞাত নহয় অথবা বদনামৰ আশংকাত এইবোৰৰ সহায় ল'বলৈ দ্বিধাবোধ কৰে। কেৱল মহিলা থানা আৰু হেল্পলাইনৰ ব্যৱস্থাই যথেষ্ট নহয়। আচল ৰূপত কৰ্মক্ষম হ'বলৈ হ'লে পৰ্যাপ্ত কৰ্মচাৰী, উপযুক্ত প্ৰচাৰ আৰু কৰ্মীসকলৰ সক্ৰিয় সহযোগৰো প্ৰয়োজন আছে। চৰকাৰে লোৱা বিভিন্ন ব্যৱস্থাৰ ওপৰত আস্থা বৃদ্ধিৰ বাবে লিংগ সংবেদনশীলতা, তৎকালীনভাৱে অভিযোগ নিষ্পত্তি আৰু কঠোৰ আইন প্ৰয়োগৰ ওপৰত আৰক্ষী কৰ্মীসকলক নিয়মীয়া প্ৰশিক্ষণ দিয়াটো অতি প্ৰয়োজনীয়। চৰকাৰৰ প্ৰচেষ্টা প্ৰশংসনীয় হ'লেও ইয়াৰ সফলতা নিশ্চিত কৰিবলৈ শিক্ষা, সমাজৰ বিভিন্ন সম্প্ৰদায়ৰ সহযোগিতা আৰু মহিলাৰ বিৰুদ্ধে হিংসাৰ মূল কাৰণসমূহৰ সৈতে মোকাবিলা কৰাৰ ইচ্ছা আৰু সাহস প্ৰদৰ্শনৰ বাবে এক ব্যাপক আয়োজনৰ প্ৰয়োজন। মহিলাসকলে সন্মুখীন হোৱা হিংসা আৰু বৈষম্যৰ অন্যতম মূল কাৰণ হ'ল সমাজৰ বিভিন্ন অংগত গভীৰভাৱে সোমাই থকা কু-সংস্কাৰ। এই কু-সংস্কাৰ নিৰাময়ৰ বাবে লিংগ সংবেদনশীলতা অতি প্ৰয়োজনীয়। অসমতো ভাৰতৰ বহু প্ৰান্তৰ দৰে পৰম্পৰাগত লিংগ ভূমিকা আৰু পিতৃতান্ত্ৰিক মনোভাৱ প্ৰায়ে শিপাই আছে।

(বাৰপৃষ্ঠাত চাওক)

## লিমাৰিক



**মামণি পাপৰি বৰুৱা বৰা, কলিয়াবৰ**

১

নাৰ্জী ফুল সুগন্ধিৰে চৌপাশে ফুলিছে
ৰাসৰ বাবে বিচাৰি ছোৱালী আহিছে
চিঙিবা যে চাই চিতি
নিঁয়ৰত থাকে তিতি
ঘৰৰ সমুখ ভাগ যে ভাল লাগিছে।

২

সুন্দৰ কৈ ফুলিছে শীতৰ প্ৰাৰম্ভত
ৰাসো আহে যে এই ফুলৰ আৰম্ভত
কিমান ৰঙীন হৈছে
গোন্ধ বিয়পি পৰিছে
খোপা হাতত পিন্ধে ৰাস উৎসৱত।



**মালবিকা দেৱী, শোণিতপুৰ**

১

প্ৰাৰ্থনা সভাত মৌৱে মায়াৱিনী গালে,
তাৰে এটা কলি তাই গাব পাহৰিলে।
ভুলকৈ গানটো গালে,
মাকে ফটো তুলি ল'লে।
ফেচবুকত ফটো দি মাকে সাঁচি থলে।

২

ৰিয়াই ভাল গান গাই মাকে কৈ ফুৰে,
গানৰ লগত তাল মিলাব নোৱাৰে।
ক'লে তাই বেয়া পায়,
ভুল তাই কৰি যায়।
মাকে তাই গুণ গাব কেতিয়াও নেৰে।

## কংগ্ৰেছৰ অভিযোগ

অভয়াপুৰীত মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ চেক বিতৰণ সভাৰ পাছতে সাংবাদিকৰ সৈতে হোৱা বাৰ্তালাপত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয়- ভোটাৰ তালিকাৰ বিশেষ সংশোধন (এছআৰ)ত একো নাই। বিৰোধীয়ে অভিযোগ কৰাৰ দৰে যদি মানুহ জধে-মধে সোমায় তেন্তে থাকিব ক'ত? এজন লোক বাহিৰৰ পৰা আহি ভোটাৰ তালিকাত নাম সোমোৱাৰ পিছত তেওঁ থাকিব ক'ত, খুৱাব কোনে, ঘৰ কোনে দিব। ইমান খৰচ কৰিবলৈ কোনোবা লোক আছে নেকি? ৩০ লাখ লোকক মাতি আনি খুৱাই-বুৱাই কোনে ৰাখিব? গতিকে কংগ্ৰেছৰ কোনো যুক্তি নাই। কংগ্ৰেছে বিহাৰ, পশ্চিমবংগৰ পৰা মানুহ আহি যাব। পশ্চিমবংগতো নিৰ্বাচন আছে, বিহাৰৰ পৰা লোক আহিলে তেওঁলোকক কোনে ৰাখিব, কোনে খুৱাব? এইবোৰ বাস্তৱ কথা হ'ব পাৰে নেকি? গতিকে কংগ্ৰেছে অবাস্তৱ কথা কৈ থাকে। ‘কা'ৰ সময়তো ডেৰ কোটি লোক আহিব বুলি কৈছিল। ডেৰ কোটি মানুহ আহিলে নেকি ? গতিকে ‘কা'ৰ কংগ্ৰেছৰ ‘টেঙা আম’ অসমৰ ৰাইজে ইতিমধ্যে দেখিলে। ইয়াক ‘কা'ৰ সময়ত এবাৰ বিক্ৰী কৰিলে, পুনৰ বিক্ৰী নহ'ব।

## ৩৭৭ শিক্ষকক নিযুক্তি-পত্ৰ প্ৰদান

প্ৰাৰ্থীৰহে সংখ্যা। সৰ্বশিক্ষা অভিযান, ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান আদিত ঠিকাভিত্তিক নিযুক্তি দিয়া যুৱক-যুৱতীসকলক ধৰিলে এই পৰিসংখ্যা অধিক হ'ব। মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে চৰকাৰখনে চাকৰি দিয়াৰ প্ৰতিশ্ৰুতি পালন কৰা বুলি অসমৰ ৰাইজক জনাবলৈ আৰু এনেদৰে নিযুক্তি লাভ কৰা যুৱক-যুৱতীসকলক দেখি আনসকলেও যাতে উৎসাহিত হ'ব পাৰে তাৰ বাবে ৰাজহুৱা অনুষ্ঠানত নিযুক্তি-পত্ৰ বিতৰণ কৰি অহা হৈছে। মেধাৰ ভিত্তিত নিযুক্তি লাভ কৰাসকলৰ মাজত চাহ জনজাতি সম্প্ৰদায়ৰ যুৱক-যুৱতীৰ সংখ্যা কম হোৱাৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে স্বাধীনতাৰ ৭৫ বছৰৰ পিছতো চাহ বাগিচা এলেকাত প্ৰাথমিক বিদ্যালয়ক বাদ দি আন কোনো শিক্ষানুষ্ঠান স্থাপন হোৱা নাছিল। চাহ বাগিচা অঞ্চলত উচ্চ শিক্ষিত যুৱক-যুৱতী সৃষ্টিৰ বাবে বৰ্তমানৰ চৰকাৰখনে আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয় স্থাপনৰ পদক্ষেপ গ্ৰহণ কৰে। ইতিমধ্যে ১২০খন আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয় স্থাপন কৰা হৈছে আৰু অহা জানুৱাৰী মাহত আন ১০০খন আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয় নিৰ্মাণৰ কাম আৰম্ভ হ'ব। তেওঁ কয় যে চাহ বাগিচাৰ ছাত্ৰ-ছাত্ৰীয়ে দ্বাদশ শ্ৰেণী পৰ্যন্ত অধ্যয়ন কৰিব পৰাকৈ এই বিদ্যালয়সমূহত উচ্চতৰ মাধ্যমিক শ্ৰেণী খোলাৰ লগতে চাহ বাগিচা অঞ্চলত থকা মহাবিদ্যালয়সমূহত চাহ জনগোষ্ঠীৰ ছাত্ৰ-ছাত্ৰীৰ বাবে আসন সংৰক্ষণৰো চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিব। অসমৰ চিকিৎসা মহাবিদ্যালয়ৰ এম বি বি এছ পাঠ্যক্ৰমত ৩খন আসন চাহ জনজাতিৰ শিক্ষাৰ্থীৰ বাবে সংৰক্ষণ কৰাৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে জনগোষ্ঠীটোৰ ছাত্ৰ-ছাত্ৰীৰ মাজৰ পৰা এবছৰত ৫০ গৰাকী চিকিৎসক গঢ় দিয়াৰ বাবে চৰকাৰে ব্যৱস্থা হাতত লৈছে। ইয়াৰ উপৰি পেৰামেডিকেল পাঠ্যক্ৰমত ২৫০খন আসন সংৰক্ষণ কৰা হৈছে। শ্বহীদ দয়াল দাস পানিকা স্বনিয়োজন আঁচনিৰ অধীনত চাহ বাগিচা আৰু আদিবাসী সম্প্ৰদায়ৰ যুৱক-যুৱতীলৈ আৰ্থিক অনুদান, চাহ বাগিচাত কৰ্মৰত গৰ্ভৱতী মহিলাক মজুৰি ক্ষতিপূৰণ হিচাপে ধন প্ৰদান, চাহ বাগিচা অঞ্চলত স্বাস্থ্য সেৱাৰ দিশত নৱজাগৰণৰ সূচনা কৰি আয়ুষ্মান আৰোগ্য মন্দিৰ স্থাপন আদিকে ধৰি বিভিন্ন পদক্ষেপেৰে বিগত প্ৰায় পাঁচ বছৰত জনগোষ্ঠীটোৰ জনজীৱনলৈ পৰিৱৰ্তন আনিবলৈ সক্ষম হোৱা বুলি মুখ্যমন্ত্ৰী ড° শৰ্মাই মন্তব্য কৰে। ছাত্ৰ-ছাত্ৰীক মাচুল ৰেহাই দিয়া শিক্ষানুষ্ঠানলৈ ধনৰাশি প্ৰদান সন্দৰ্ভত মন্তব্য কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে নামভৰ্তি বিনামূলীয়া হোৱাৰ লগতে ছাত্ৰীসকলে নিযুত মইনা আঁচনিৰ অধীনত চৰকাৰৰ পৰা মাহে ধন লাভ কৰিছে। বৰ্তমানৰ চৰকাৰে শিক্ষাখণ্ডত অধিক গুৰুত্ব প্ৰদান কৰাৰ কথা উল্লেখ কৰি তেওঁ কয় যে এই চৰকাৰখনৰ কাৰ্যকালতে ৰাজহুৱা শিক্ষা ব্যৱস্থাত অধিক ছাত্ৰ-ছাত্ৰীয়ে নামভৰ্তি কৰিছে। চাহ বাগিচাত আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয় স্থাপন কৰাৰ পিছত বিভিন্ন সম্প্ৰদায়ে আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয় স্থাপনৰ বাবে আহ্বান জনোৱা বুলি ড° শৰ্মাই সদৰী কৰে। তেওঁ কয় যে চৰকাৰখনে ৰাজহুৱা শিক্ষা ব্যৱস্থাক গতিশীল কৰিবলৈ সক্ষম হৈছে। একোখন বিদ্যালয় নিৰ্মাণৰ বাবে ৮ৰ পৰা ১০ কোটি টকাকৈ ব্যয় কৰা হৈছে আৰু প্ৰায় ১ হাজাৰ উচ্চ আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয় নতুনকৈ নিৰ্মাণ কৰা হৈছে। শিক্ষাৰ্থীক বিনামূলীয়া চাইকেল, ছাত্ৰীক স্কুটী, বিনামূলীয়া নামভৰ্তি, নিযুত মইনা আঁচনিৰ জৰিয়তে ছাত্ৰীক ধন প্ৰদান, হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ মাচুল ৰেহাইকে ধৰি বিভিন্ন পদক্ষেপসমূহৰ জৰিয়তে চৰকাৰে চৰকাৰী শিক্ষানুষ্ঠানত অধ্যয়ন কৰা দুখীয়া আৰু মধ্যবিত্ত শ্ৰেণীৰ শিক্ষাৰ্থীৰ বাবে এটা সুৰক্ষা চক্ৰ গঢ়ি তোলা বুলি মুখ্যমন্ত্ৰীয়ে মন্তব্য কৰে। অসমত কোনো শিক্ষাৰ্থীয়ে এতিয়া ধনৰ অভাৱত শিক্ষা আধাতে এৰিবলগীয়া নহয় বুলি মন্তব্য কৰি ড° শৰ্মাই কয় যে অসমে ভাৰতবৰ্ষৰ ভিতৰতে শিক্ষাত বিনিয়োগ কৰা অগ্ৰণী ৰাজ্য হিচাপে দাবী কৰিব পৰা পৰিৱেশ সৃষ্টি হৈছে। অনুষ্ঠানত মন্ত্ৰী ডাঃ ৰণোজ পেগু, যোগেন মহন, চাহ ৰূপেশ গোৱালা, সাংসদ কামাখ্যা প্ৰসাদ তাছা, বিধায়কসকল ক্ৰমে সঞ্জয় কিষাণ, ৰূপজ্যোতি কুৰ্মী, তেৰছ গোৱালা, দিগন্ত ঘাটোৱাল প্ৰমুখ্যে শিক্ষা বিভাগৰ কেইবাগৰাকী উচ্চপদস্থ বিষয়া উপস্থিত থাকে।

## ২২ নৱেম্বৰত আছুক

বিষয়সমূহ ৰাজ্যিক বাজেটত উল্লেখ কৰা হৈছিল। ৰাজ্য চৰকাৰৰ আওতাত পৰা আনবোৰ বিষয় সন্দৰ্ভত পুনৰ আলোচনাৰ বাবে চচ নৱেম্বৰত বৈঠক স্থিৰ কৰা হৈছে। আনহাতে কেন্দ্ৰীয় চৰকাৰৰ আওতাত পৰা বিষয়সমূহ সন্দৰ্ভত কেন্দ্ৰীয় চৰকাৰ, অসম চৰকাৰ আৰু আছুৰ মাজত ত্ৰিপাক্ষিক আলোচনা অনুষ্ঠিত কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। আছুৱে বৈঠক সন্দৰ্ভত এক বিবৃতিযোগে প্ৰকাশ কৰা অনুসৰি ২২ নৱেম্বৰত অনুষ্ঠিত হ'বলগা আলোচনাত অসম চৰকাৰৰ আওতাত পৰা আন বিষয়সমূহ আলোচনা কৰা হ'ব। কেন্দ্ৰীয় চৰকাৰৰ আওতাত পৰা বিষয়সমূহ সন্দৰ্ভত প্ৰস্তাবিত ত্ৰিপাক্ষিক আলোচনা সম্পৰ্কেও আলোচনা হ'ব। মূলতঃ ভাষা, সংস্কৃতি, ভূমিৰ অধিকাৰ আদি বিষয়সমূহৰ ৰক্ষাকৱচ ৰাজ্য চৰকাৰৰ অধীনৰ বিষয় আৰু স্থানীয় নিকায়, বিধানসভা, সংসদত অসমৰ খিলঞ্জীয়া মানুহৰ বাবে আসন সংৰক্ষণ, সকলো জাতি-জনগোষ্ঠীৰ সমপ্ৰতিনিধিত্বৰে উচ্চ সদন গঠন, চাকৰি সংৰক্ষণ, ইনাৰলাইন পাৰ্মিট ব্যৱস্থা প্ৰৱৰ্তন আদি বিষয়ত ৰক্ষাকৱচ প্ৰদান কেন্দ্ৰীয় চৰকাৰৰ আওতাৰ বিষয়। আছুৱে বিবৃতিযোগে ইয়াকো উল্লেখ কৰে যে অসম চুক্তিৰ ৬নং দফা অনুসৰি সাংবিধানিক ৰক্ষাকৱচ অসমৰ খিলঞ্জীয়া মানুহৰ প্ৰাপ্য। কেন্দ্ৰীয় চৰকাৰে গ্ৰহণ কৰা অৱসৰপ্ৰাপ্ত ন্যায়াধীশ বিপ্লৱ কুমাৰ শৰ্মাৰ অধ্যক্ষতাত গঠিত উচ্চস্তৰীয় সমিতিৰ সকলো পৰামৰ্শ কাৰ্যকৰী কৰিবলৈ উভয় চৰকাৰে পদক্ষেপ ল'ব লাগিব। ২২ নৱেম্বৰৰ আলোচনাৰ পৰা ছাত্ৰ সন্থাই ইতিবাচক ফলাফল আশা কৰিছে বুলিও আছুৱে উল্লেখ কৰে।

## জনজাতিকৰণৰ দাবীত

বিভিন্ন স্থানত টাইমূলীয় কেইবাটাও ঠালে জনজাতিৰ মৰ্যাদা লাভ কৰিছে। সেই সূত্ৰে আমিও জনজাতি। তেওঁ আৰু কয়, ২০১৯ চনৰ ৫ জানুৱাৰীত ভাৰতৰ যিমানবিলাক সংস্থা আছে সেই সকলো সংস্থাই কেন্দ্ৰীয় জনজাতি পৰিক্ৰমা দপ্তৰত অসমৰ ছয় জনগোষ্ঠীৰ যি বৈশিষ্ট্য আছে তাৰ ওপৰত ভিত্তি কৰি জনজাতিৰ মৰ্যাদা দিব পাৰি বুলি উল্লেখ কৰিছিল। তাৰ পিছত ২০১৯-চনৰ ৯ জানুৱাৰীত ৰাজ্যসভাত বিল উত্থাপন হ'ল। তাৰ পিছতো কিন্তু আমাক লৈ প্ৰতাৰণা কৰা হ'ল। ভেঙুচালি কৰা হ'ল। প্ৰৱঞ্চনা কৰা হ'ল। তেওঁ আৰু কয়, অহা ২৫ নৱেম্বৰত অসম বিধানসভাত যিখন প্ৰতিবেদন উত্থাপন হ'ব সেইখন আমাৰ স্বাৰ্থত হ'ব লাগিব। ছয় জনগোষ্ঠীৰ স্বাৰ্থত হ'ব লাগিব। যদি তাৰ হীন-ডেঢ়ি হয় তেন্তে তাৰ পিছত অসমত যি পৰিস্থিতিৰ সৃষ্টি হ'ব তাৰ বাবে ৰাজ্য চৰকাৰেই জগৰীয়া হ'ব। প্ৰয়োজনত আমি চামধৰা গড়ৰ পৰা শদিয়ালৈ আহোমৰ সুকীয়া ৰাজ্যৰ কথা চিন্তা কৰিবলৈ বাধ্য হ'ম। লখিমপুৰৰ পৰা আমি আজি চৰকাৰক এই কথা জনাই দিছোঁ। আমাৰ মুখ্যমন্ত্ৰীৰ ওপৰত আস্থা আছে। আমি ভাল খবৰ পাম বুলি আশা কৰিছোঁ। মনোজ গগৈয়ে চৰকাৰক স্পষ্ট ৰূপে কয়, ৰাজ্যসভাত যিখন বিল উত্থাপন হ'ল আমাক তাৰ পাছৰখিনিহে লাগে। ৰাষ্ট্ৰপতিৰ স্বাক্ষৰসহ গেজেট ন'টিফিকেচন আমাক লাগে। নতুনকৈ আমাৰ বৈশিষ্ট্য আছে নে নাই তাক বিবেচনা কৰিব, নতুনকৈ কথাবিলাক আৰম্ভ কৰিব তেনে প্ৰক্ৰিয়া যি আৰম্ভ হয় সেয়া আমি মানি নলওঁ। এই কথা আমি আজি লখিমপুৰৰ পৰা মুখ্যমন্ত্ৰীক স্পষ্ট ৰূপে জনাই দিছে এই কাৰ্যসূচীত আটাছুৰ কেন্দ্ৰীয় সভাপতি বসন্ত গগৈ, যুটীয়া সম্পাদক অচ্যুত বৰগোহাঁই, মুখ্য উপদেষ্টা দুলাল বৰুৱা, যুটীয়া সম্পাদক দিগন্ত চাংমাই, উপ-সভাপতি মনোজ গগৈ, টাই সাহিত্য সভাৰ তেলীৰাম দুৱৰা, নিৰ গগৈ, পয় ফুৰালুঙৰ আদিত্য ফুকন, টাইপাৰ প্ৰাঞ্জল হিলটন কোঁৱৰ, কৈলাস গগৈ, লক্ষ কোঁৱৰ, আহোম জাতী মহাসভাৰ দিপুল তামুলী ফুকনকে ধৰি কেইবাটাও সংগঠনৰ ভালেকেইজন বিষয়ববীয়াসহ পাঁচ সহস্ৰাধিক আহোমৰ লোকে অংশগ্ৰহণ কৰে।

## অভিলেখ গঢ়ি দশমবাৰলৈ

শপত গ্ৰহণ কৰে। তদুপৰি সম্ৰাট চৌধুৰী বিহাৰ বিজেপিৰ সংসদীয় দলনেতা নিৰ্বাচিত হয় আৰু উপ-দলনেতা হয় বিজয় সিনহা। নীতিশ কুমাৰৰ নতুন মন্ত্ৰীসভাৰ ২৬জন সদস্যৰ ভিতৰত ১৪জন বিজেপি, ৮জন নীতিশ কুমাৰৰ জেডিইউৰ আৰু চিৰাগ পাছোৱানৰ এলজেপি (আৰ) ৰ দুজন, জিতন ৰাম মাঝিৰ হাম তথা উপেন্দ্ৰ কুছোৱাহাৰ আৰএলএমৰ এজনকৈ সদস্যই স্থান লাভ কৰে। বিহাৰৰ মন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰা সকল হ'ল উপ-মুখ্যমন্ত্ৰী সম্ৰাট চৌধুৰী আৰু বিজয় সিনহা, মন্ত্ৰী হোৱাসকলৰ ভিতৰত বিজয় চৌধুৰী, বিজেন্দ্ৰ যাদৱ, শ্ৰৱণ কুমাৰ, মংগল পাণ্ডে, দিলীপ জয়ছৱাল, অশোক চৌধুৰী, লেছি সিং, মদন সাহনী, নিতিন নবীন, ৰাম কৃপাল, সন্তোষ আদিয়েই আছে সুমন, সুনীল কুমাৰ, জামা খান, সঞ্জয় সিং টাইগাৰ, অৰুণ শংকৰ, সুৰেন্দ্ৰ মেহতা, নাৰায়ণ প্ৰসাদ, ৰামা নিছাদ, লখেন্দ্ৰ কুমাৰ ৰোশন, শ্ৰেয়াসী সিং, প্ৰমোদ কুমাৰ, সঞ্জয় কুমাৰ, সঞ্জয় পাছোৱান আৰু দীপক প্ৰকাশ।

## জুবিনৰ মৃত্যুৰ সৈতে

আদালতত হাজিৰ কৰে। সুৰক্ষাজনিত কাৰণত আৰক্ষীয়ে আদালতত হাজিৰ কৰাৰ সলনি ৫ অভিযুক্তক বাক্সাৰ কাৰাগাৰৰ লগতে আন দুই অভিযুক্তক হাফলং উপ-কাৰাগাৰতে ভাৰ্চুৱেলী হাজিৰ কৰা হয়। জানিব পৰা মতে, ধৃত ৭ অভিযুক্তৰ বিৰুদ্ধে কোনোধৰণৰ জামিন আবেদন দাখিল কৰা নহ'ল। মন কৰিবলগীয়া যে ছিংগাপুৰত আয়োজিত নৰ্থ-ইষ্ট ফেষ্টিভেলত অংশগ্ৰহণ কৰিবলৈ গৈ ৰহস্যজনক অৱস্থাত ছিংগাপুৰৰ মহাসমুদ্ৰত যোৱা ১৯ ছেপ্টেম্বৰত মৃত্যু হৈছিল প্ৰাণৰ শিল্পীগৰাকীৰ। ৰহস্যজনক এই মৃত্যুৰ পাছতে ৰাজ্য চৰকাৰে গঠন কৰি দিয়া বিশেষ তদন্তকাৰী গোটে গ্ৰেপ্তাৰ কৰিছিল মূল অভিযুক্ত শ্যামকানু মহন্ত আৰু সিদ্ধাৰ্থ শৰ্মাসহ মুঠ ৭জন অভিযুক্তক। ইপিনে প্ৰিয় শিল্পীৰ ৰহস্যজনক মৃত্যুক লৈ এছআইটিয়ে তদন্ত অব্যাহত ৰাখিছে। বিগত কিছুদিন ধৰি এছআইটিয়ে ৰাজ্যৰ বিভিন্ন প্ৰান্তত বিভিন্ন বিহু সমিতিৰ বিষয়ববীয়াৰ ভাষ্য গ্ৰহণ কৰিছিল। ইপিনে, এছআইটিএ জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যু সন্দৰ্ভত আংশিক প্ৰতিবেদন কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়লৈ প্ৰেৰণ কৰিছে। অসম আৰক্ষীৰ উচ্চস্তৰীয় সূত্ৰই সদৰী কৰা মতে প্ৰতিবেদনখনত এই দুৰ্ভাগ্যজনক ঘটনাটোৰ সৈতে জড়িত কেইবাজনো অভিযুক্তৰ বিষয়ে তথ্য সংলগ্ন কৰা হৈছে। অৱশ্যে অভিযুক্তকেইজনৰ নাম আনুষ্ঠানিকভাৱে সূত্ৰটোৱে প্ৰকাশ কৰা নাই।

# ১ জানুৱাৰীৰ পৰা

লাখপতি বাইদেউ হিচাপে গঢ়াৰ সংকল্পৰে এই আঁচনি আৰম্ভ কৰিছে বুলি ড° শৰ্মাই উল্লেখ কৰে। অসমত মহিলাসকলৰ মাজত এক জাগৰণৰ সৃষ্টি হৈছে বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে ৰাজ্যৰ মহিলাসকলো আজি পৰিয়ালৰ উপাৰ্জনৰ এক চালিকাশক্তিলৈ ৰূপান্তৰিত হৈছে। অভয়াপুৰী বিধানসভা সমষ্টিত ইতিমধ্যে ২৯, ৬৮৩গৰাকী হিতাধিকাৰীয়ে অৰুণোদয় আঁচনিৰ ধন লাভ কৰিছে বুলি অৱগত কৰি তেওঁ কয় যে সমষ্টিটোত নতুনকৈ ৩, ৪০০ গৰাকী অৰুণোদয় হিতাধিকাৰীৰ অন্তৰ্ভুক্তিৰ প্ৰক্ৰিয়া চলি আছে। অভয়াপুৰী বিধানসভা সমষ্টিত ২, ৭৭২গৰাকী ছাত্ৰীয়ে মুখ্যমন্ত্ৰী নিযুত মইনা আঁচনিৰ সুবিধা লাভ কৰিছে বুলি জানিবলৈ দি তেওঁ কয় যে অসমমালাৰ অধীনত ঔড়ুবিৰ মাজেৰে যোগীঘোপাৰ পৰা বঙাইগাঁও সংযোগী পথ, তালগুৰি-বাসুগাঁও আৰু শ্বহীদ বেদীৰ পৰা উত্তৰ শালমাৰা জংচন সংযোগী পথ, ৪খনকৈ দলং অভয়াপুৰী সমষ্টিত নিৰ্মাণৰ পদক্ষেপ গ্ৰহণ কৰা হৈছে। অতি সোনকালে বঙাইগাঁও মেডিকেল কলেজ আৰু ইঞ্জিনীয়াৰিং কলেজৰ সেৱা আৰম্ভ কৰা হ'ব বুলিও তেওঁ অৱগত কৰে। বৃদ্ধ পেঞ্চনৰ ধনৰাশিৰ পৰিমাণ অতি শীঘ্ৰেই বৃদ্ধি কৰা হ'ব বুলি উল্লেখ কৰি তেওঁ কয় যে 'নিযুত মইনা'ৰ আৰ্হিত ল'ৰাসকলৰ বাবেও জানুৱাৰী মাহৰ পৰা এখন নতুন আঁচনি আৰম্ভ কৰাৰ বিষয়ে চিন্তা-চৰ্চা চলি আছে। আমাৰ জ্যেষ্ঠসকলে মোক বৃদ্ধ পেঞ্চন বঢ়াই দিয়াৰ কথা কৈ আছে। দুই-এদিনতে বৃদ্ধ পেঞ্চন বঢ়াই দিয়া হ'ব। এইদৰে ল'ৰাসকলে লগ পালেই মোক কয়- মামা, আমাকো বাবু আঁচনি এখন দিয়ক। অহা ১ জানুৱাৰীৰ পৰা বাবু আঁচনিখনো দিব গৈ আছো। এই বাবু আঁচনিখনৰ নাম মই দিয়া নাই। ল'ৰাসকলে নিজেই দিছে। এই সভাত অসম চৰকাৰৰ সাধাৰণ প্ৰশাসন আদি বিভাগৰ মন্ত্ৰী ৰঞ্জিত কুমাৰ দাস, সাংসদ ফণীভূষণ চৌধুৰী, বিধায়িকা দীপ্তিময়ী চৌধুৰী, অভয়াপুৰী পৌৰসভাৰ পৌৰপতি সুশান্ত পোদ্দাৰ, কমতাপুৰ স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য জীৱেশ ৰয়, প্ৰাক্তন বিধায়ক ভূপেন ৰয়, সমাজকৰ্মী উজ্জ্বলকান্তি ৰয়, অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ অভিযান সঞ্চালক কুন্তলমণি শৰ্মা বৰদলৈ আৰু জিলা আয়ুক্ত নৰদীপ পাঠককে ধৰি পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগ তথা জিলা প্ৰশাসনৰ বিষয়ববীয়াসকল আৰু হিতাধিকাৰী মহিলাসকল উপস্থিত থাকে।

# এজনীয়া তদন্ত আয়োগৰ

লোক। আয়োগৰ ওচৰত শপতনামা দাখিল কৰি বিৰোধী দলপতি দেৱব্ৰত শইকীয়াই জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ পুংখানুপুংখ তদন্ত কৰিবলৈ আয়োগক আহ্বান জনায়। আয়োগৰ ওচৰত বিৰোধী দলপতিগৰাকীয়ে দহ পৃষ্ঠাৰ শপতনামা, ২২ পৃষ্ঠাৰ তথ্য-প্ৰমাণ দাখিল কৰে। কৃষক মুক্তি সংগ্ৰাম সমিতিৰ সাধাৰণ সম্পাদক বিদ্যুৎ শইকীয়াই তদন্ত আয়োগৰ ওচৰত শপতনামা দাখিল কৰি জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ এছআইটি তদন্ত সঠিক দিশত আগবঢ়া নাই বুলি মন্তব্য কৰে। জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ তদন্তৰ বাবে ছিংগাপুৰস্থিত উচ্চায়ুক্তৰ সকলো বিষয়ববীয়াক আওতালৈ আনিবলৈও দাবী জনায় বিদ্যুৎ শইকীয়াই। শিলচৰৰ অসম বিশ্ববিদ্যালয়ৰ গৱেষক ছাত্ৰ অসীম কুমাৰ হাজৰিকাই আয়োগৰ ওচৰত শপতনামা দাখিল কৰি কয় যে জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ প্ৰকৃত ৰহস্য আমি জানিব বিচাৰোঁ। জানিব বিচাৰো তেওঁৰ মৃত্যুৰ আঁৰৰ প্ৰকৃত কাৰণ। স্মৰ্তব্য যে জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ সন্দৰ্ভত ন্যায়াধীশ সৌমিত্ৰ শইকীয়া নেতৃত্বাধীন এজনীয়া তদন্ত আয়োগৰ ওচৰত অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ, বিধায়ক অখিল গগৈ, জাতীয় পৰিষদ, প্ৰদেশ কংগ্ৰেছৰ হৈ অধিবক্তা ৰীতম সিং আদিকে ধৰি বিভিন্ন দল-সংগঠনে শপতনামা দাখিল কৰে। আয়োগে লাভ কৰা সকলো তথ্য-প্ৰমাণৰ পৰীক্ষা-নিৰীক্ষা কৰি অহা ৬ মাহৰ ভিতৰত নিজৰ প্ৰতিবেদন ৰাজ্য চৰকাৰক দাখিল কৰিব।

# সংগীতৰ ৰাজপুত্ৰ জুবিন

মুখ্য উপদেষ্টা মৃদুল শৰ্মা, সম্পাদিকা মৃদুস্মিতা শৰ্মা, ত্ৰাতৃ এপৰ স্বত্বাধিকাৰী ত্ৰিদীপ বৰুৱা, পংকজ সভাপণ্ডিত, আঞ্জুম আৰা হুছেইন, নিৰ্মিতা বৰগোহাঁই, মনিৰূপা মিশ্ৰ , ড° জুৰী গোস্বামী, মিতালী গোস্বামী, প্ৰান্তিকা শৰ্মা, প্ৰণৱ কুমাৰ শৰ্মা, পাৰিজাত বৰুৱা, সৃষ্টি ভৰদ্বাজ, অপূৰ্ব বল্লভ গোস্বামী, অৰুণ কাব্ৰা, লাৱণ্য বৰা প্ৰণামিকা শৰ্মা, পাপৰি দেৱী, উত্তম লয়িং, প্ৰহেলিকা কৌশিক, চুমি বৰদলৈ ভৰালী, নীলাঞ্জনা বৰুৱা আদি। কল্পনা দেৱীয়ে আঁত ধৰা অনুষ্ঠানটো শেষত "মায়াবীনি" প্ৰাৰ্থনা গীতেৰে সমাপ্ত কৰা হয়। মায়াবীনি গীতত গীটাৰ সংযোজন কৰে প্ৰেৰণা ভৰদ্বাজে। প্ৰায় ৩০গৰাকী সদস্য উপস্থিত থাকে যদিও নেটৱৰ্কৰ অসুবিধাৰ বাবে বহুকেইগৰাকী গুগল মিটত সংযোগ হ'ব নোৱাৰিলে।

# সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ

ভূপেন হাজৰিকাৰ প্ৰতি ক্লাবৰ তথা অঞ্চলটোৰ ৰাইজৰ শ্ৰদ্ধাৰ স্মাৰক হিচাপে পাটাছাৰকুছি পৰিদৰ্শন বঙলাৰ চৌহদত এক নতুন আৰ্হিত ১৫ ফুট উচ্চতাৰ আৰু ২৭ ফুট পৰিধিৰ নিৰ্মাণ কৰা ব্ৰঞ্জৰ বিশাল আকাৰৰ আবক্ষ মূৰ্তিটো অসমীয়াৰ প্ৰাণৰ বিশ্ববৰেণ্য শিল্পীগৰাকীৰ জন্ম শতবৰ্ষতে আনুষ্ঠানিকভাৱে উন্মোচন কৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। এই উপলক্ষে ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই ভাৰত মাতৃৰ মহান সন্তানগৰাকীলৈ অসমবাসীৰ হৈ গভীৰ শ্ৰদ্ধা নিবেদন কৰি কয় যে ড° ভূপেন হাজৰিকা এজন অমৃত সন্তান। ভূপেনদাৰ গান আছিল একো একোটা আন্দোলন। তেওঁৰ সংগীত আছিল সংস্কৃতিৰ বাহক। চৰকাৰে ড° হাজৰিকাৰ জন্ম শতবাৰ্ষিকী ইতিমধ্যে উদযাপন আৰম্ভ কৰিছে। জন্ম শতবাৰ্ষিকী হিচাপে মেঘালয়, অৰুণাচল আৰু কলিকতাত স্মৃতিচাৰণ সভা অনুষ্ঠিত কৰাৰ উপৰি শংকৰদেৱ কলাক্ষেত্ৰত ড° ভূপেন হাজৰিকাৰ স্মৃতিত এটা সংগ্ৰহালয় স্থাপন কৰিব। গানৰ বাবে কেৱল সুৰৰ প্ৰয়োজন নহয়। গানত থাকিব লাগিব এক উদ্দেশ্যও। ভূপেনদাৰ গানত আছে মানুহৰ যন্ত্ৰণা আৰু আশা। ভূপেনদাই ৰ্‌ বছৰ বয়সতে 'অগ্নিযুগৰ ফিৰিঙতি মই নতুন অসম গঢ়িম...' শীৰ্ষক গীতটোৰ জৰিয়তে বিপ্লৱী চেতনা জগাই তুলিছিল। তেওঁ গীতেৰে অসম তথা সমগ্ৰ ভাৰতবৰ্ষৰ লগতে বিশ্বত জিলিকি উঠিছিল। চলচ্চিত্ৰৰ ক্ষেত্ৰতো ড° ভূপেন হাজৰিকাৰ অৱদান অতুলনীয়। তেওঁৰ গানত প্ৰাণ পাইছিল অসমীয়া জনজাতিৰ প্ৰতিচ্ছবি। অসমৰ বহু ঘটনাই তেওঁৰ গীতত প্ৰাণ পাই উঠিছিল। তেওঁ অসমীয়াৰ অস্তিত্বৰ কথা মৰ্মে মৰ্মে উপলব্ধি কৰিছিল। তেওঁ অসমীয়াক বন্দনা কৰি সমগ্ৰ ভাৰতত বিলাই দিছিল। ভাৰত-পাকিস্তানৰ যুদ্ধৰ সময়ত ড° হাজৰিকাই গীতৰ মাজেৰে ভাৰতীয় সেনাক অনুপ্ৰেৰণা যোগাইছিল। ড° ভূপেন হাজৰিকা আমাৰ শতিকাৰ শ্ৰেষ্ঠ পুৰুষ। তেওঁ আছিল এজন শ্ৰেষ্ঠ অসমীয়াৰ সন্তান। তেওঁৰ অপূৰ্ব সৃষ্টিৰ তুলনা নাই।' মূৰ্তিটো উন্মোচন কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে দিয়া ভাষণত অনুৰাধা শৰ্মা পূজাৰীয়ে ড°ভূপেন হাজৰিকাৰ জীৱন দৰ্শন সন্দৰ্ভত লিখা গ্ৰন্থখন অসমৰ দহ লাখ লোকৰ মাজত বিতৰণ কৰিব বুলিও কয়। আৰু কয় যে পাটাছাৰকুছিতে শিশু কালতে জীৱনৰ প্ৰথম ৰাজনৈতিক ভাষণ দিছিল আৰু সেই ভাষণৰ জৰিয়তে আজিৰ পৰ্যায় পাইছে মুখ্যমন্ত্ৰীগৰাকীয়ে। লগতে পাটাছাৰকুছিত এটা আধুনিক তথা উন্নতমানৰ প্ৰেক্ষাগৃহ নিৰ্মাণৰ বাবে দুই কোটি টকাৰ অনুদান দিব বুলি ৰাইজক প্ৰতিশ্ৰুতি দিয়ে। পাটাছাৰকুছি পৰিদৰ্শন বঙলাৰ চৌহদত অনুষ্ঠিত উন্মোচনী সভাত ইয়াৰ লগত সংগতি ৰাখি প্ৰকাশ কৰা আমিনুল হক আৰু নিতুল শৰ্মাৰ দ্বাৰা সম্পাদিত স্মৃতি পুস্তিকাখন উন্মোচন কৰি স্থানীয় বিধায়ক তথা অসম চৰকাৰৰ জ্যেষ্ঠ কেবিনেট মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে প্ৰাগজ্যোতি ক্লাব তথা পাটাছাৰকুছি অঞ্চলৰ ৰাইজৰ শলাগ লয়। আবক্ষ মূৰ্তি উন্মোচনী পৰিচালনা সমিতিৰ সভাপতি নিতুল শৰ্মাই আঁত ধৰা সভাখনত ক্লাবৰ সভাপতি ৰফিকুল হকে আদৰণী ভাষণ দিয়ে আৰু বিশিষ্ট সমাজকৰ্মী মুনীন্দ্ৰ নাৰায়ণ গোস্বামীয়ে বন্তি প্ৰজ্বলন কৰে। সভাত বজালী জিলাৰ জিলা আয়ুক্ত মৃদুল কুমাৰ দাস, সুধাকণ্ঠৰ সহযোগী বাদ্যযন্ত্ৰী কমল কটকী, বিশিষ্ট শিল্পী সদানন্দ গগৈ, শিক্ষাবিদ ড° ৰঞ্জিত ডেকা, সমাজকৰ্মী ডাঃ পুলিন শৰ্মা, কুলধৰ চৌধুৰী, লাৱণ্য পাটগিৰিয়ে মঞ্চ শুৱনি কৰে। মূৰ্তিটো নিৰ্মাণ কৰা বিশিষ্ট ব্ৰঞ্জ কাষ্টিং শিল্পী মুক্তাৰ মল্লিকক সভাত ক্লাবৰ তৰফৰ পৰা সম্বৰ্ধনা জনোৱা হয়। সভাৰ আৰম্ভণিতে এশগৰাকী মহিলাই 'জিলিকাব লুইতৰে পাৰ' শীৰ্ষক সমৱেত সংগীত পৰিৱেশন কৰে। মূৰ্তি উন্মোচনৰ পূৰ্বে পুৱা ক্লাবৰ সভাপতি ৰফিকুল হকে ক্লাবৰ পতাকা উত্তোলন কৰাৰ পিছতে বহুকেইগৰাকী বিশিষ্ট লোকৰ দ্বাৰা গছপুলি ৰোপণ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। মূৰ্তি উন্মোচনৰ পিছতে সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ আবক্ষ মূৰ্তিত পুষ্পাঞ্জলি অৰ্পণ কৰে স্থানীয় বিধায়ক তথা অসম চৰকাৰৰ জ্যেষ্ঠ কেবিনেট মন্ত্ৰী ৰঞ্জিত কুমাৰ দাঁস, সুধাকণ্ঠৰ সহযোগী বাদ্যযন্ত্ৰী কমল কটকী, বিশিষ্ট শিল্পী সদানন্দ গগৈ, ক্লাবৰ উপদেষ্টা ড° ৰঞ্জি ত ডেকা আৰু ডাঃ পুলিন শৰ্মাই। সন্ধিয়া সাংস্কৃতিক সন্ধিয়া উদ্বোধন কৰে তেজপুৰ বিশ্ববিদ্যালয়ৰ অধ্যাপিকা ড°বিনীতা বৰা দেৱচৌধুৰীয়ে। উল্লেখ্য যে এক ব্যয়বহুল বাজেটেৰে ৩,৫০৮ কিলোগ্ৰাম ব্ৰঞ্জৰে নিৰ্মাণ কৰা ১৫ ফুট উচ্চতাৰ আৰু ২৭ ফুট পৰিধিৰ এই ব্ৰঞ্জৰ বিশাল আবক্ষ মূৰ্তিটো অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ ভিতৰত আটাইতকৈ বৃহৎ আকাৰৰ ব্ৰঞ্জৰ আবক্ষ মূৰ্তি। তেজপুৰৰ বিশিষ্ট ভাস্কৰ্য শিল্পী অলকেশ পৰাশৰে প্ৰায় এক বছৰ ধৰি লাগি মডেলিং কৰা আৰু পশ্চিমবংগৰ বোলপুৰ শান্তি নিকেতন নিবাসী বিশিষ্ট ব্ৰঞ্জ কাষ্টিং শিল্পী মুক্তাৰ মল্লিকৰ নেতৃত্বত এটা ৭-৮জনীয়া দলে প্ৰায় ডেৰ বছৰ ধৰি নিৰ্মাণকাৰ্য চলাই মূৰ্তিৰ মডেলটো ব্ৰঞ্জ লৈ ৰূপান্তৰ কৰিছে।

# বাজপেয়ী ভৱনত বিজেপিৰ

নিৰ্বাচনৰ লগত জড়িত উপ-সমিতি এই বৈঠকত চূড়ান্ত কৰা হয়। এই বৈঠকতে মিত্ৰতা সন্দৰ্ভতো বিভিন্ন দিশ আলোচনা হয়। অহা দুই-এদিনতে উপ-সমিতিসমূহ গঠন কৰি দিয়াৰ পিছত ইস্তাহাৰ হওক, ভিজ্ন ডকুমেন্ট হওক, নিৰ্বাচনৰ বাবে দলে কি কি কাৰ্যসূচী গ্ৰহণ কৰিব, অহা এশটা দিনত এই সকলোবোৰ ক্ৰমান্বয়ে আৰম্ভ কৰা হ'ব। ইফালে খিলঞ্জীয়া মুছলমানৰ ভোট বিজেপিয়ে লাভ কৰিব বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় 'মিঞা মুছলমানৰ ভোট আমি আশা নকৰোঁ। অসমীয়া মুছলমানৰ ভোট আমি আগতেও পাইছিলোঁ, এইবাৰো পাম'। মোৰ সমষ্টিতে ৩০ হাজাৰ অসমীয়া মুছলমানৰ ভোট আমি পাম। অহা নিৰ্বাচনত বহু নতুন মুখ দেখিবলৈ পাব বুলিও মুখ্যমন্ত্ৰীগৰাকীয়ে স্পষ্ট কৰি দিলে। মুখ্যমন্ত্ৰীগৰাকীয়ে কয়- প্ৰতিটো নিৰ্বাচনতে বিজেপিয়ে যুৱশক্তিক প্ৰাধান্য দি আহিছে। এইবাৰ নতুন প্ৰাৰ্থীৰ সুবিধা বেছি, কাৰণ বিজেপিয়ে আগতে ১০৩টা সমষ্টিত প্ৰতিদ্বন্দ্বিতা কৰিবলৈ সুবিধা পোৱা নাছিল। সৰ্বাধিক ৯০টা সমষ্টিতহে বিজেপিয়ে প্ৰতিদ্বন্দ্বিতা কৰিব পাৰিছিল। কিন্তু সমষ্টি পুনৰ নিৰ্ধাৰণৰ পাছত ১০-১৫ নতুন সমষ্টি হোৱাৰ বাবেই প্ৰতিদ্বন্দ্বিতাৰ সুযোগ আহিছে। যি সমষ্টিসমূহত বিজেপিৰ কোনো বিধায়কো নাই। গতিকে কাৰো টিকট নকটাকৈ এই সমষ্টিসমূহত প্ৰাৰ্থিত্ব দিব পৰা যাব। কাকো কষ্ট নিদিয়াকৈ আমি যুৱ আৰু মহিলাক আগুৱাই লৈ যাম। এই বৈঠকত উপস্থিত থাকে ৰাজ্যিক সভাপতি দিলীপ শইকীয়া, ৰাষ্ট্ৰীয় মুখপাত্ৰ ডাঃ সম্বিত পাত্ৰ, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, পবিত্ৰ মাৰ্ঘেৰিটা, ৰাজ্যিক প্ৰভাৰী হৰিশ দ্বিবেদী, ৰাজ্যিক সাংগঠনিক সাধাৰণ সম্পাদক ৰবীন্দ্ৰ ৰাজু প্ৰমুখ্যে দলৰ কৰ্ণধাৰ সমিতিৰ সদস্যসকল।

## ENGLISH NEWS SECTION

# Governor attends Kendriya Satriya Sanskriti Divas at Dhemaji



Guwahati,RB News: Assam Governor Shri Lakshman Prasad Acharya attended the Kendriya Satriya Sanskriti Divas organised by the Sadou Asom Satra Mahasabha in Dhemaji. Speaking on the occasion while conveying his greetings to the functionaries and expressing his joy for being part of the ceremony, the Governor said that Satriya Sanskriti Divas is an occasion that honours the spiritual and cultural legacy of the state. He noted that the occasion serves not only as a celebration but also a heartfelt tribute to the rich heritage shaped by Mahapurush Srimanta Sankardeva, whose timeless contributions continue to inspire unity, equality, and devotion across Assam.The Governor highlighted how the philosophy of “Eka Sarana Nama Dharma” brought together Assam’s diverse traditions and laid the foundation of a cultural unity that remains central to the state’s identity. He acknowledged the enduring role of the Sattras and Namghars as vibrant centres of spirituality and cultural consciousness, hailing the Assam Sattra Mahasabha for its dedication to sustaining the timeless traditions while adapting to contemporary needs. He appreciated the Mahasabha’s efforts in linking more than 1200 Sattras and nearly 11,000 Namghars, and nurturing cultural awareness among youth through seminars, workshops, training camps, and various development programs. Shri Acharya noted that some educational institutions in the state, reflecting their visionary step are doing well in integrating traditional knowledge with modern education. Recalling the words of Prime Minister Shri Narendra Modi who said, “When you connect your soul with cultural consciousness, you witness the vast form of India”, the Governor emphasized that the Sattras stand as a testament to preserving national pride and human values.

## India A knocked out of Asia Cup Rising Stars



RB News: India A's campaign in the Asia Cup Rising Stars tournament ended with a thrilling defeat to Bangladesh A in the semifinal. The match that went down to the wire saw India A finish at 194 for 6 in the chase a 195-run target. India A failed to score a run in the Super Over, with captain Jitesh Sharma and Ashutosh Sharma getting out on the first two deliveries.Bangladesh A then got the winning run with a bit of a drama as Yasir Ali was caught at long-on on the very first ball in the chase. Suyash Sharma bowled a wide down the leg side to new batter Akbar Ali, and that took Bangladesh A into the final.

## Ryan Williams eligible for India selection after FIFA approval



RB News: Ryan Williams is officially eligible for selection to the Indian team as he has got FIFA approval for the change of member association after relinquishing his Australian citizenship, the All India Football Federation (AIFF) said on Thursday. "FIFA's Players' Status Chamber issued its final decision on November 19, 2025, approving the change of association request for Ryan Williams, thereby making him formally eligible to represent the Indian national team," the AIFF said in a statement. The 32-year-old forward, who represents Bengaluru FC in ISL, had earlier given up his Australian citizenship to officially become an Indian citizen.

## Punjabi singer Harman Sidhu passes away in road accident



RB News: Punjabi singer Harman Sidhu has passed away in a road accident on the Mansa-Patiala road in Punjab. According to reports, the car in which Sidhu was travelling collided with a truck. Popular Punjabi singer Harman Sidhu has passed away in a devastating road accident in Khyala village, Mansa district. Reportedly, while returning to his village his car collided with a truck near a local palace in Mansa-Patiala road. The car was fully crushed and the Punjabi singer died on the spot.

## Ashes Test ends within 2 days



RB News: Australia defeated England by eight wickets in the first Ashes Test in Perth on Saturday to take a 1-0 lead in the five-match series. It is the first ever Ashes Test to end within two days on Australian soil. England scored 172 and 164, while Australia scored 132 in their first innings and chased down 205-run target in 28.2 overs.

## South Africa announce ODI and T20I squads for India series



RB News: South Africa have revealed their squads for the upcoming ODI and T20I series against India. Following the ongoing two-match Test series, the focus will shift to the limited-overs formats. The Proteas have selected full-strength squads for both tours, with Temba Bavuma leading the ODI team alongside his role as Test captain, while Aiden Markram will captain the T20I side.

## Mitchell Starc completes 100 Ashes wickets



RB News: Australian pacer Mitchell Starc completed 100 Ashes wickets, becoming the first-ever left-arm pacer to reach the milestone.Starc achieved this milestone during the first session on day one of the first Ashes Test at Perth's Optus Stadium on Friday. The left-armer had a scorching initial spell, neutralising any 'Bazball' threat whatsoever, getting Zak Crawley in the first over itself. Later, he broke a promising partnership between Ben Duckett and Ollie Pope and gave England a massive setback by dismissing Joe Root for a seven-ball duck.

# নাৰী নিৰ্যাতন বন্ধ কৰোঁ আহক

ৰাজহুৱা আৰু ব্যক্তিগত দুয়োটা ক্ষেত্ৰতে নাৰীক কৰা ব্যৱহাৰৰ ধৰণ নিৰ্ধাৰণ কৰে লিংগ সংবেদনশীলতাই। যৌন নিৰ্যাতনৰ ক্ষেত্ৰত ভুক্তভোগীক দোষাৰোপ কৰাৰ পৰা আৰম্ভ কৰি ঘৰুৱা হিংসাক তুচ্ছ জ্ঞান কৰালৈকে এই বিভিন্ন পৰিৱেশত লিংগ সংবেদনশীলতাৰ ছবিখন প্ৰকাশ পায়। উদাহৰণস্বৰূপে, মহিলাৰ বিৰুদ্ধে হোৱা অপৰাধৰ প্ৰাৰম্ভিক সঁহাৰিৰ ক্ষেত্ৰত আৰক্ষী বিষয়াসকলে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে আৰু তেওঁলোকৰ মনোভাবে ভুক্তভোগীৰ অভিজ্ঞতা আৰু তেওঁৰ গোচৰৰ ফলাফলত যথেষ্ট প্ৰভাৱ পেলাব পাৰে। আইন প্ৰয়োগকাৰী আৰু অন্যান্য ৰাজহুৱা বিষয়াসকলৰ বাবে লিংগ সংবেদনশীলতা প্ৰশিক্ষণে মহিলাসকলক সন্মানজনকভাৱে ব্যৱহাৰ কৰাটো নিশ্চিত কৰাত সহায় কৰিব পাৰে আৰু তেওঁলোকৰ অভিযোগসমূহক গুৰুত্বসহকাৰে লোৱাটো নিশ্চিত কৰিব পাৰে। নাৰী অবিহনে এখন সমাজ তথা গোটেই পৃথিৱীখনেই অপৰিপূৰ্ণ। গতিকে নাৰীজনিত এই অপৰাধসমূহৰ পৰা নাৰীক সুৰক্ষা দিয়াৰ বাবে সমাজখনেই ঐক্যবদ্ধ প্ৰচেষ্টা হাতত ল'ব লাগে। সমাজৰ সকলো লোক বয়স, জাতি, লিংগ, ধৰ্ম, ভাষা নিৰ্বিশেষে নাৰী সুৰক্ষাৰ ক্ষেত্ৰত সচেতন হোৱা উচিত। এনে ঘটনাৰ পৰা নাৰীক সুৰক্ষা আৰু ন্যায় প্ৰদান কৰিবৰ বাবে সাম্প্ৰদায়িকতাৰ মনোভাব বাদ দি চৰকাৰে উচিত পদক্ষেপ গ্ৰহণ কৰা প্ৰয়োজন। ক্ষিপ্ৰ বিচাৰ প্ৰক্ৰিয়াৰ দ্বাৰা অপৰাধীক কঠোৰতম শাস্তি বিহা ব্যৱস্থাৰ জৰিয়তে এই জঘন্য অপৰাধ নিয়ন্ত্ৰণ হ'ব বুলি আশা কৰিব পাৰি।

নাৰী শক্তি জাগ্ৰত হৈ উঠক। নাৰী, আপোনালোক যদি জাগ্ৰত হৈ নুঠে এই জ্বলন্ত সমস্যা কিন্তু ইমান সহজে নিৰ্মূল নহয়। যিগৰাকী মাতৃয়ে ন মাহ ন দিন এটা সন্তান ক গৰ্ভত ৰাখি এই পৃথিৱী খন দেখুৱাব পাৰে তেনেক্ষেত্ৰত আপোনালোক সকলো যদি জাগ্ৰত হয় এদিন এই পিষাচ বোৰ আমাৰ সমাজৰ পৰা লুপ্ত হ'ব।

সহায়- "Sexual abuse". 2018 American Psychological AssociationAmerican Psychological Association লগতে দুই এটা তথ্য গুগল ৰ পৰা লোৱা হৈছে।







ৰঙিলী বাৰ্ত্তা কৰ্তৃক ড°উদ্দীপ্ত নয়ন মেধিৰ দ্বাৰা প্ৰকাশিত, প্ৰচাৰিত আৰু ফটাশিল মানপাৰা গুৱাহাটী-25ৰ মেধি এণ্টাৰপ্ৰাইজত মুদ্ৰিত। ফোন ঃ 9854215286
প্ৰতিষ্ঠাপক সম্পাদক ঃ মহেশ চন্দ্ৰ মেধি মূখ্য-সম্পাদক ঃ ড°উদ্দীপ্ত নয়ন মেধি সহঃসম্পাদিকাঃ-স্বাগতা বৰুৱা গোস্বামী সহঃ সম্পাদিকাঃ অদিতি দত্ত লহকৰ
Founder Editor - Mahesh Ch. Medhi Ph. 99570-45203 EDITOR-IN-CHIEF :- Dr. UDDIPTA NAYAN MEDHI Ph.98542-15286